# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

*WINTER SESSION*

## VOL. IV
## NO. 5

**The 16th December, 1986.**

Price Rs. 13.40

# CONTENTS

( Winter Session )

Volume—IV
No—5

Dated the 16th December, 1986


| | |
|---|---|
| 1: Questions | 1 |
| 2. Miscellaneous Discussion | 21 |
| 3. Calling Attention Notice | 27 |
| 4: Matter Under Rule 301 | 30 |
| 5. Leave of Absence | 35 |
| 6. Private Members Pending Resolution | 35 |
| 7. Announcement from the Chair | 68 |
| 8: Adjournment | 70 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## Tuesday the December, 16 1986

The House met at ten of the Clock in the Assembly Chamber, at Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

বিঃ জ্বলাই থকা প্ৰাকৃতিক গেচৰ দ্বাৰা জলবায়ু দুষিতকৰণ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৬১। মাননীয় পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—উজনি অসমত দৈনিক কিমান পৰিমানৰ প্ৰাকৃতিক জ্বলাই থকা হৈছে আৰু এনেদৰে গেচ জ্বলাই বাবে অসমৰ জলবায়ু দূষিত হৈ Thermal Pollution হোৱা সম্ভাৱনা আছেনেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

৬১। উজনি অসমত ৪ নিযুত ঘন মিটাৰ প্ৰাকৃতিক গেচ প্ৰতি দিনে জ্বলাই থকা হৈছে আৰু ইয়াৰ ফলত সেই অঞ্চলৰ বায়ুমণ্ডল তাপৰ দ্বাৰা দুষিত হোৱাৰ প্ৰমাণ পোৱা গৈছে। জ্বলাই থকা গেচৰ পৰিমান ১৯৮৫-৮৬ চনৰ ভিত্তিত যুগুত কৰা হৈছে আৰু বৰ্ত্তমানৰ পৰিমানৰ বিষয়ে সবিশেষ তথ্য-পাতি যুগুতাই থকা হৈছে।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, থাৰমেল পলিউশ্যন হোৱা বুলি প্ৰমাণ পোৱা গৈছ যেতিয়া তাক প্ৰতিৰোধ কৰাৰ কাৰণে তৎকালীন ভাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আমাৰ বিভাগে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছে আৰু খুউব কম সময়ৰ ভিতৰতে এই ব্যৱস্থা সম্পূৰ্ণ হব বুলি আশা ৰাখিছোঁ।

শ্ৰীজয়নাথ শৰ্মা ঃ প্ৰয়োজনীয় ব্যৱস্থা মানে কি কি স্পেচিফিকেলি কলে ভাল হয় দৈনিক যিটো গেচ পুৰি আছে এই গেচ যিহেতু আন নৱ'ন উৰেন্স এইটো জলাব নোৱাৰাৰ কাৰণে লেভি বা টেক্স্ লগোৱাব ব্যৱস্থা কৰিবনে ?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে যিখিনি তথ্যপাতি প্ৰয়োজন হব সেইখিনি পোৱাৰ পিচত স্পষ্টভাবে কব পৰা যাব আৰু প্ৰশ্নটোৰ বাকী অংশ পুনৰ কবলৈ মই সদস্যজনক অনুৰোধ কৰিছেঁ।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, পলিউশ্যনৰ হাৰ কমাবৰ কাৰণে আৰু

বেছিকৈ যাতে জ্বলাব নোৱাৰে তাৰ কাৰণে দৈনিক একোটাকৈ টেক্স লগাব নোৱাৰি নেকি ?

শ্ৰীযতীন মালি ৰাজ্যিক মন্ত্ৰী ঃ আগৰ চৰকাৰে এইবোৰ কৰিছিল নে ? এই হাৰ কমোৱাৰ কাৰণে আমি ব্যৱস্থা হাতত লৈছোঁ ।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ টকা হিচাবে দৈনিক কিমান হব ?

শ্ৰীযতীন মালী (ৰাজ্যিক মন্ত্ৰী ঃ ইয়াৰ বাবে সুকীয়া প্ৰশ্নৰ আৱশ্যক হব ।

বিঃ চিলাপথাৰত অগ্নি নিৰ্বাপক বাহিনী

শ্ৰীফণী ৰাম টায়েংয়ে সুধিছে ঃ

* ৬২। মাননীয় গৃহমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম অৰুণাচলৰ সীমান্তবৰ্ত্তী চিলাপথাৰ টাউনত অগ্নি নিৰ্ব্বাপক বাহিনীৰ প্ৰতিষ্ঠা কেতিয়া কৰাৰ কথা ভাবিছে জনাবনে ?

(খ) যদি ভবিষ্যতে কৰাৰ কথা চিন্তা কৰিছে আগতিয়াকৈ মাটি অধিগ্ৰহন কৰি ৰখাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ-বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬২। (ক) চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ভিতৰত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ স্থাপনৰ কোনো আঁচনি নাই ।

(খ)—আৱশ্যকীয় পুঁজি আদিৰ ব্যৱস্থা হলেই কেন্দ্ৰ খোলাৰ বাবে মাটি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হব ।

**Starred questions 63 was not called for.**

বিঃ জাজী নৈৰ দূষিত পানী

বিঃ পেলনীয়া সামগ্ৰীৰ দ্বাৰা জাজী নৈৰ পানী দূষিতকৰণ

শ্ৰীপ্ৰদীপ হাজৰীকাই সুধিছে ঃ

* ৬৪। মাননীয় পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে -

ক) নগাৰাজ্যৰ 'তুলি কাগজ কল'ৰ পেলনীয়া সামগ্ৰী সমূহ জাজী নৈত পেলোৱাৰ ফলত পানী দূষিত হৈ সেই অঞ্চলৰ নৈ কাষৰীয়া হাজাৰ হাজাৰ মানুহ ব্যাধিগ্ৰস্ত হোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) কাকত কলটোৰ আৱৰ্জনাই দূষিত কৰা পানী খাই আজি ৭।৮ বছৰে অঞ্চলটোৰ ৰাইজৰ যি দুৰৱস্থা হৈছে তাক ৰোধ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) যদি এতিয়াও একো লোৱা হোৱা নাই, কেতিয়াকৈ আৰু কি ধৰণৰ ব্যৱস্থা লোৱা হব ?

শ্ৰীবৃন্দাবন গোস্বামী পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

৬৪। (ক নগাৰাজ্যৰ "তুলি কাগজ কল'ৰ পৰা নিৰ্গত হোৱা দূষিত পানী ব্যৱহাৰ কৰি জাঁজী নৈৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজ ব্যাধিগ্ৰস্ত হোৱাৰ কোনো অভিযোগ প্ৰদূষণ নিবাৰণ পৰিষদে এতিয়ালৈকে পোৱা নাই ।

(খ)—নগাৰাজ্যৰ তুলি কাগজ কলৰ পৰা নিৰ্গত হোৱা ময়লাপানী শোধন কৰি নিৰ্দ্ধাৰিত সীমাৰ [PERMISSIBLE LIMIT] ভিতৰলৈ আনিবলৈ অসম পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰন পৰিষদে নিৰ্দ্দেশ দিছে । এই দূষিত পানী শোধন কৰাৰ পিচতহে কাগজ কলৰ

কাষতে থকা মেলেক নৈত (যিখনে ভৈয়ামত জাঁজী নাম লৈছে) নেপেলাই কিলোমিটাৰ নিলগত থকা টিফুক নলাত পেলাবলৈ অসম পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰন পৰিষদে নিৰ্দ্দেশ দিছে।

গ)—নগাৰাজ্যৰ 'তুলি কাগজ কল'ৰ পৰা নিৰ্গত হোৱা ময়লা পানী শোধন কৰি নিৰ্দ্ধাৰিত সীমাৰ ভিতৰত ৰাখি টিফুক নৈত পেলাবলৈ অসম পানী আৰু বায়ু পৰিষদে নিৰ্দ্দেশ দিছে।

এই নিৰ্দ্দেশৰ পৰিপেক্ষিতত 'তুলি কাগজ কলে' ময়লা পানী পৰিশোধন গোট [EFFLUENT TREATMENT PLANT] ইতিমধ্যেই নিৰ্ম্মান কৰিলে আৰু টিফুক নলাত শোধিত ময়লাপানী পেলাবলৈ ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পাইপ লাইন বহুৱালে। এই পাইপ লাইনৰ জৰিয়তে পৰিশোধন গোটৰ পৰা 'পাম্প' কৰি টিফুক নলাত পেলোৱা হ'ব। ইতিমধ্যে পাইপ বহুৱা কাম সম্পূৰ্ণ হৈছে আৰু পাইপ লাইন পৰীক্ষামূলক ভাৱে চলোৱা হৈছে। পৰীক্ষামূলক ভাবে চলাওতে কেইবাস্থানটো পাইপ লাইন ফটা বাবে টিফুক নলাত পানী এতিয়াও পেলাব পৰা নাই। পাইপ লাইন মেৰামতি কৰি থকা হৈছে আৰু শীঘ্ৰেই কাম সম্পূৰ্ণ হৈ উঠাৰ আশা কৰা হৈছে।

শ্ৰীপ্ৰদীপ হাজৰীকা ; অধ্যক্ষ মহোদয়, মই বৰ আচৰিত হৈছোঁ যে সেই অঞ্চলৰ ৰাইজে পাইপ লাইনৰ দাবী বহু দিনৰে পৰা কৰি আহিছে, এইটো কিয় বন্ধ কৰা হব? জাঁজী নৈৰ যিটো পানী, সেই পানীয়ে বহু পৰিমাণৰ পানী দায়েলেট কৰিব নোৱাৰে। তাবোপৰি টিফুক নৈত তিনিটা স্পিঙৰ সংযোজন হৈছে, তাত এই দূষিত পানী পেলোৱাৰ ব্যৱস্থা কৰা হৈছে। এইটো বন্ধ কৰি স্পেচিয়েল নলা খান্দি ব্ৰহ্মপুত্ৰত পেলোৱাৰ আঁচনি চৰকাৰে লবনে?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী : অধ্যক্ষ মহোদয়, টিফুক নলা বন্ধ কৰা সম্পৰ্কে ক্ষেত্ৰ পৰীক্ষা কৰি প্ৰতিবেদন পালে বন্ধ কৰিব পৰা হব। জাঁজী নৈৰ ক্ষেত্ৰত ইতিমধ্যে ব্যৱস্থা লম বুলি চিন্তাচৰ্চ্চা কৰা হৈছে।

শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, ক প্ৰশ্নৰ উত্তৰত কৈছে যে অভিযোগ পোৱা নাই, অৰ্থাৎ উদ্যোগবিলাক গঢ়ি উঠাৰ পিচত অভিযোগ পালেহে চৰকাৰী মেচিনাৰী ব্যৱহাৰ কৰা হব নেকি?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী ; অধ্যক্ষ মহোদয়, মই কম উত্তৰতে এই কথা কৈছোঁ।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন হৈছে নগালেণ্ড চৰকাৰে কৰবাত কিবা কৰিব আৰু তাৰ বাবে অসমৰ জলবায়ু দূষিত হব এই কথা হব নোৱাৰে, এই ক্ষেত্ৰত আমাৰ চৰকাৰে নগালেণ্ড চৰকাৰৰ লগত কিবা যোগাযোগ কৰিছে নেকি? আৰু যদি কৰা নাই তেন্তে তাৰ পৰা যাতে এটোপাও ময়লা পানী অসমলৈ আহিব নোৱাৰে তাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিব নেকি?

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয় এই সম্পৰ্কে মই ইতিমধ্যে কৈছোঁ যে ক্ষেত্ৰ পৰীক্ষাৰ প্ৰয়োজন আৰু তথ্যপাতি পোৱাৰ পিচতহে সকলো ব্যৱস্থা লব পৰা হব।

**Re: Number of Tribunals for detection of foreigners**

Shri ABDUL MUHIB MAZUMDER asked:

*65. Will the Chief Minister be pleased to state—

(a) The number of Tribunals to detect foreigners functioning in the state?

(b] How many cases have been referred to these Trebunalss?

(c) How many cases have been disposed of by noy?

Sri PRAFULLA KUMAR MAHANTA (Chief Minister) replied:

65-(a) – There are 4 (Four] Illegal Migrants (Determination) Tribunal and 12 (Twelve) Foreigners Tribunal functioning in the State.

(b) – 3426 cases have been referred to the Illegal Migrants (Determination) Tribunal upto October, 1986 and 5414 cases have been referred to the Foreigners Tribunal from May 1986 to 18th November, 1986.

(c) – 395 number of cases have been disposed of by the Illegal Migrants (Determination) Tribunal upto October 1986 and 427 cases have been disposed of by Foreigners Tribunal from May, 1936 to 18th November, 1986.

(Supplementaries)

Shri Abdul Muktadir Choudhury : Sir, how many existing Tribunals have been withdrawn ?

Shri Prafulla Kumar Mahanta, Chief Minister : Sir, I have already answered that.

শ্ৰীজয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ট্ৰিবিউনেল দুই প্ৰকাৰৰ চলিছে। এটা হৈছে ফৰেইনাৰ্চ ট্ৰিবুনেল আৰু ইল্লিগেল মাইগ্ৰেচন ডিটাৰমিনেচন এক্ট, যিটো অসম চুক্তি অনুসৰি হৈছে, যাৰ ওপৰত সংশোধনীৰ প্ৰস্তাৱ আছে। গতিকে কোনটোৱে কি কাম কৰিছে আমাক জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— माননীয় অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ পাছত ইল্লিগেল মাইগ্ৰেচন এক্টে কৰিব আৰু তাৰ আগৰখিনি ফৰেইনাৰচ ট্ৰিবুনেলে কৰিব।

Shri Altaf Hussain Mazumdar : Mr Speaker, Sir, If I have heard the Chief Minister correctly, he said there are 12 Nos. of Illegal Migrants ( Determination) Tribunals. Is it 12? How many Tribunals are there and whe-re they are located ?

**Shri Prafulla Kumar Mahanta, Chief Minister :** Under the IMDT the Tribunals are at Gauhati, Tezpur, Jorhat and Sibsagar.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, টেৰিট-ৰিয়েল জুৰিদিকচন ট্ৰিবুনেল বিলাক এই ধৰণৰ — গুৱাহাটী-কামৰূপ, প্ৰাগ জ্যোতিষপুৰ, ধুবুৰী, গোৱালপাৰা কোকৰাঝাৰ আৰু নলবাৰী। তেজপুৰ-শোনিতপুৰ, দৰং আৰু লক্ষীমপুৰ জিলা। যোৰহাট-যোৰহাট, শিৱসাগৰ, নগাওঁ জিলা আৰু শিলচৰৰ-উত্তৰ কাছাৰ জিলা, কাছাৰ, কাৰবি আংলং আৰু কৰিমগঞ্জ জিলা।

**Shri Altaf Hussain Mazumdar :** Mr. Speaker, Sir, does the Government not consider that these Tribunals are not located in convenient places because people of Nagaon have to go to Jorhat, people of Dhubri have to come to Gauhati. Is it not harrassment ? Why there should not be Tribunals in other important places ? Law is there, Accord has been signed by your Government ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বিবেচনা কৰা হব কিন্তু এই কথাটো সংশোধনী প্ৰস্তাৱৰ লগত জৰিত হৈ আছে।

বিঃ ভি, এফ এ চাকৰিৰ নিযুক্তি

শ্ৰীৰসিহুল হকে সুধিছে :

* ৬৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক ১৯৮৬-৮৭ চনৰ বাবে ভি, এফ, এ, চাকৰিৰ কাৰণে আবেদন কৰা প্ৰাৰ্থীৰ ভিতৰত কিমানজন প্ৰাৰ্থীৰ নাম বাছনি কৰিছে ?

(খ) কি নিয়ম নীতিৰে উক্ত প্ৰাৰ্থী বাছনি কৰা হৈছে ?

(গ) কোন জাতিৰ কিমান সংখ্যাৰ লৰাৰ নাম বাছনি কৰিলে ?

শ্ৰীনগেন শৰ্ম্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৬। ক) ১৯৮৬-৮৭ চনৰ বাবে ভি, এফ, এ, চাকৰিৰ বাবে কোনো প্ৰাৰ্থী বাছনি হোৱা নাই। ভি এফ, এ,ৰ প্ৰশিক্ষণৰ বাবেহে প্ৰাৰ্থী বাছনি কৰা হৈছে।

খ) প্ৰশিক্ষণৰ বাবে প্ৰত্যেক মহকুমাৰ পৰা প্ৰাৰ্থী বাছনি কৰা হৈছে। সংৰক্ষিত আসন, অনুসূচিত জনজাতি, অনুসূচিত জাতি, চাহবাগানৰ মজদুৰ আদিৰ বাবে বাছনি কৰা হৈছে। আনহাতে বিভাগৰ দৈনিক হাজিৰা কৰ্ম্মী বিভাগৰ ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আৰু বিভাগৰ কৰ্ম্মচাৰীৰৰ সন্তানৰ পৰাও বাছনি কৰা হৈছে।

| | |
|---|---|
| (গ) অনুসূচিত জাতি | ১৯ জন |
| অনুসূচিত জনজাতি | ২৯ জন |
| চাহ মজদুৰ | ২ জন |
| অনুসূচিত জনজাতি (পাহাৰ) | ১২ জন |
| দৈনিক হাজিৰা কৰ্ম্মী | ৮ জন |
| মুঠ | ৭০ জন |

| | |
|---|---|
| মুঠ | ৭০ জন |
| ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী | ৭ জন |
| বিভাগীয় কৰ্মচাৰীৰ সন্তান | ৯ জন |
| আন আন | ১৬৮ জন |
| মুঠ — | ২৫৪ জন |

শ্ৰীজয়নাথ শৰ্ম্মা : — মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ১৯৮৪-৮৫ চনত কাছাৰ জিলাৰ পৰা কিমানজনক ভেটেৰেনাৰী ফিল এচিচষ্টেণ্টৰ ট্ৰেইনিংৰ কাৰণে বাছনি কৰা হৈছিল ? আমি জনাত ২৮০ জনৰ ভিতৰত অকল কাছাৰ জিলাৰ পৰা ৭০ জনক বাছনি কৰা হৈছিল এই কথা সচানে ?

শ্ৰীনগেন শৰ্ম্মা (পশুপালন মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আগৰ চৰকাৰে কি পদ্ধতিত নিৰ্ব্বাচন কৰিছিল নাজানো। কিন্তু এইবাৰ সম্পূৰ্ণ তথ্য ভিত্তিত কৰা হৈছে। আগতে কাছাৰৰ পৰা বেছি সংখ্যক নিৰ্ব্বাচন কৰা হৈছিল তাৰ কাৰণে আমি এতিয়া অসুবিধাত পৰিছো, কিয়নো তেওঁলোকক ব্ৰহ্মপুত্ৰ উপত্যকাত আনিব বিচাৰিলে তেওঁলোক আহিব নোখোজে। গতিকে আগতে নিৰ্ব্বাচনৰ ক্ষেত্ৰত পক্ষপাতিত্ব হোৱা বুলি অনুমান হয়।

শ্ৰীৰচিদুল হক : - মোৰ প্ৰশ্নটো হৈছে এই লিস্টত মাইনৰিটি কিমান জন আছে। আমি জনাত নগাওঁ মহকুমাৰ পৰা মাত্ৰ এজন মুছলমান লৰাই পাইছে। মুছলমানৰ জনসংখ্যামতে তেওঁলোকে পাইছেনে ?

শ্ৰী নগেন শৰ্ম্মা (মন্ত্ৰী) অধ্যক্ষ মহোদয়, মাইনৰিটিৰ নামত কোনো ৰিজাৰ্ভেচন নাই। এই ১৬৮ জনৰ ভিতৰতে মাইনৰিটিও আছে।

**Shri Altaf Hussain Mazumdar :—** Mr. Speaker, Sir, the Hon. Minister is supposed to give an answer when an Hon'ble Member asks a question. The strright quhstion is, out of 2<4 how many from the minority community has been given Secondly, he said, no reservation is there. These trainees are meant for job and the Hon'ble Chief Minister has repeatedly assured the House that population pattern will be maintained in recruitments. Why now the Government is going back from the commitment ?

শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) অধ্যক্ষ মহোদয়, এইটো চাকৰি নহয় প্ৰশিক্ষনহে। সাধাৰণ লিষ্টত মাইনৰিটীৰ প্ৰাৰ্থীও আছে।

**Shri Altaf Hussain Mazumdar :** Mr. Speaker, Sir, he has not said the number. I wanted to know out of 254 candidates how many persons have been selected from minority communities ?

**Shri Nagen Sarma (Minister) :** Minorities are included in the general.

**Re : Formation of Subdivisional Eand Advisory Committee**

**Shri BINAI KHUNGUR BASUMATARY asked :**

*67. Will the Minister, Revenue be pleased to state—

(a) Whether Subdivisional Land Advisory Committee have been formed in all subdivsions of the State ?

(b) Whether it is a fact that in Subdivisions where there are Tribal Belts and Blocks, the majority of the members in these L. A. C's are non-Tribals ?

(c) If so, how dces the Government puopose to ensure the protective provisions of Chapter-X of the A. L. & R. R. Act, 1886 ?

Shri THANESWAR BORO (Minister, Revenue) replied 67 (a) – Yes, except in Pragjyotishpur Subdivision and two Hill districts of Assam.

(b) --Yes.

(c)—Chapter-X of A.L. & R.R. 1886, prescribes district procedure for its implementation. Chapter-X of A.L.& R.R. does not envisage constitution of Subdivisonal Land Advisory Committee.

Shri Binai Khungur Basumatari : Sir, in reply to 67(b) the Hon'ble Minister has said yes. Is the Government aware that due to that situation even land alloted to Government organisation for public convenience has been encroached by illegal people and the LAC has regularised this encroachment ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে এই কথাটো দৃষ্টিগোচৰ কৰাব কাৰণে মই তেখেতক ধন্যবাদ জনাইছোঁ। লেণ্ড এডভাইচৰী কমিটিত কিছুমান ঠাইত ট্ৰাইবেল সদস্য যিমান হব লাগে সিমান হোৱা নাই। কিন্তু এই বিলাকত সদস্য বঢ়োৱাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে। আকৌ এটা কথা যে এই কমিটি বিলাকত সদস্য কম হোৱাৰ কাৰণেই যে নতুন চৰকাৰৰ দিনতহে যে বেদখল বেছি হৈছে এনে নহয়, আগৰে পৰাই বেদখল হৈ আছে।

Shri Binai Khungur Basumatari : Sir, my question was not the increase in encroachment. I said even the land allotted to public organisation like the ASTC has been encroached by illegal people and this has been regularised by the LAC. Is he aware of that ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী ঃ অধ্যক্ষ মহোদয়, স্পেচিফিকেলী কোন ঠাইত কি পাৰপাচত লোৱা হৈছে যদি জনোৱা হয় তেন্তে নিশ্চয় বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ (বি অংশ ট্ৰাইবেল বেল্ট

আৰু ব্ল মেজৰিটী চিটৰ যিটো কথা কৈছে তাত এটা প্ৰশ্নৰ উদয় হৈছে যে লেণ্ড এডভাইচৰী বৰ্ড অথৰাইজড্ নেকি ? চেপ্টাৰ ১০ ইম্‌প্লিমেণ্ট কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অথৰিটি আছে নেকি ? লেণ্ড এডভাইচৰী কমিটিত নন্ ট্ৰাইবেল মানুহ থাকিলে চেপ্টাৰ ১৭ এপ্লাই কৰাত কিবা বাধা আছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ; অধ্যক্ষ মহোদয়, মই তেনেকৈ নাভাবো। চেপ্টাৰ ১০ত লেণ্ড এডভাইচৰী কমিটি গঠন কৰিব লাগে বুলি তেনে কথা নাই। গতিকে মই ট্ৰাইবেল সদস্য নাথাকিলেই যে তাত কিবা হাৰ্ম হব সেইদৰে মই নাভাবোঁ।

**Mr. Speaker : Next question.**

শ্ৰীৰত্নেশ্বৰ সৰকাৰ ঃ অধ্যক্ষ মহোদয় মই এটা কথা জানিব খুজিছো যে আমাৰ বিধায়কৰ হাতত আগতীয়াকৈ উত্তৰসহ প্ৰশ্ন থাকিব পাৰে নেকি ?

মাননীয় অধ্যক্ষ ঃ নোৱাৰে।

Mr. Speaker : Can you tell me the name ?

Shri Binai Khungur Basumatari : Sir, it is in the hands of Shri Zai Nath Shrma.

Shri Ardhendu Kumar Dey : Sir, this is not the first time. This is the second time it is coming on the floor of the House. This is a very serious matter.

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, কাৰ কোনটো ধাৰাত বিধায়ক সকলৰ হাতত উত্তৰ সহ প্ৰশ্ন কাকত দিব নোৱাৰে লিখা আছে তাৰ ওপৰত আপুনি এটা ৰুলিং দিব লাগে।

**Shri Ardhendu Kumar Dey : Sir, you have assured us earlier also that necessary action will be taken. There is no such rule to get the answer.**

(Notice)

Mr. Speaker : I shall enquire into the matter and take necessary action.

Mr. Speaker : Next question:

Re. Employment policy

Shri SIRAJUL HAQUE CHOUDHURY asked :

*68. Will the minister, Labour and Employment be Pleased to state—

(a) The present emoployment policy of the Goverment ?

(b) Whether there is any provision for proportional reservation on the basis of population in the present emploment policy ?

(c) If so, whether the police is communicated to the district level appointing authorities and others of the State ?

Shri BARKI PRASAD TELENGA (Minister, Labour and Employment) replied :

68 (a) - There is no such declared policy laid down by the Goverment so far as Employment Department is concerned.

(b)—Does not arise.

(c)—Does not arise.

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, the Labour Department in a part of the Governmeut which is headed by Shri Prafulla Kumar Mahanta. Shri Prafulla Kumar Mahanta, Chief Minister has repeatedly assured on the floor of this House that population pattem will be reflected Now the Labour Minister is telling that he does not know that this is the policy of the Government Will the Chief Minister clarify it ?

Mr. Speaker : He said that he does not know that this is the policy of the Government.

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা শ্ৰম মন্ত্ৰী : অধ্যক্ষ মহোদয়. উত্তৰটো ভাল দৰে শুনিলৈ সদস্য গৰাকীয়ে প্ৰশ্নটো কৰিলে ভাল হব নেকি ? প্ৰশ্নটোত আছে নিয়োগ বিভাগৰ লগত জড়িত তেনে কোনো ঘোষিত পলিচী চৰকাৰৰ বৰ্ত্তমানলৈ নাই।

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, the question is very clear, Whether there is any provision for proportional reservation on the basis of population in the present employment policy ? So the question of population pattern arises.

Mr. Speaker : There is no such declared policy.

Altaf Hussain Mazumdar : Chief Minister has repeatedly declared on the floor of this House.

Mr. Speaker : Labour Minister has said so far as Labour Department is concerned.

Re: Eviction carried out Kalgachia Market Area'

Shri A. F. GOLAM OSMANI asked :

*69. Will the Minister, Revenue be pleased to state —

(a) Is it a fact that a large number of shops including panchayat building in Kalgachia Market area were demolished by the S. D. C., Kalgachia in the month of October ?

(b) If so, number of shops and buildings so demolished,

(c) Whethere any notice was served on the owners/occupants of the shops/buildings prior to the demolition ?

(d) If so, when and if not why ?

(e) Is it a fact that the S.D.C. Kalgachia took away about 600 quintals of jute kept on market area for sale to J. C.I. and did not issue any seizure list to the owner ?

(f) Is it also a fact that the said quantity of Jute were sold arbitrarily to some outsider merchant on payment of only Rs. 900 ? (please give the date of seizure and the date of action)

(g) Is it also a fact that when the D.C. Barpeta was approached on behalf of the victims by submitting a representation the D.C. asked S.D.C. concerned to return the Jute to the owner ?

(h) If so, whethere the S.D.C. implemented the said order ?

Shri THANESWAR BORO (Minister, Revnue) replied 69.(a)—Eviction was carried out at Kalgachia Bazar area on 21st October 1986 : The Assam type house belonging to Dakhin Ruposigaon panchayat Samabai Samity demolished. No panchayat building was demolished

(b)—58 shops/stalls, 2 dwelling houses and one Assam type house belonging to Dakhin Ruposigaon Panchayat Samabai Samity was demolished.

(c) Yes.

(d(—On 21st September 1986 in Encroachment case No 124/86 87 and on 28th September 1986 and 29th September 1986 in Encroach ment Case No. 123/86-87.

(e)—No: The S D.C. found approx. 10 quintals and 5 quintals (15 quintals of Jute stored in two stacks by the encroachers Since the encroachers did not removed the Jute despite sufficient time being given for removal from the encroached land the S.D C., Kalgachia sold the Jute in auction. No owners appeared at the spot. The question of giving seizure list does not arise.

(f)—No. It is not a fact. The procedure of auction sales was duly observed. The auction purchasers were not outsider merchants. The highest bid was Rs. 560 and Rs. 425 respectively. The date of auction sale was 21st October 1986.

(g)—No, Deputy Commissioner simply asked S.D.C. to stay handing over of the Jute to the auction purchase when approached.

(h)—Sub-Deputy Collector could not carry out the instruction as the auction sale was already over.

Shri A. F. Golam Osmani :— Hon'ble Mr. Speaker, Sir, will the Minister in-charge of Revenue be pleased to inform us about the area of the market concerned ?

Shri Thaneswar Boro (Minister) :— Mr. Speaker, sir, the area was 12 Bighas 4 Khata and 12 Lechas.

Shri A. F. Golam Osmani :— Mr. Speaker, sir, is he aware that notices were served in respect of an area covering 63 bighas of land, which included homesteand lands and paddy fields also ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়. প্ৰশ্নটোত কেৱল কলগাচীয়া মাৰকেট এৰিয়াৰ কথা কোৱা হৈছে। গতিকে বাহিৰত কিমান নটিচ দিছে সেইবোৰ তথ্য-পাতি ইয়াত নাই।

Shri A. F. Golam Osmani :— Mr. Speaker, sir, may I have know from the Minister Revenue is it the practice of the Govt. officials under the present Govt. that when things are seized, the officer concerned can sell it by auction at his own discretion without observing the formalities ? It is reported that 600 quintals of jute were sold out for an amount of Rs. 900/- only and a receipt was also kept to that effect. In view of this, whether the Hon'ble Minister, Revenue, will make an enquiry about it ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, উচ্ছেদ কৰাৰ পিচত তাত যদি কিবা বস্তু থাকে সেইবিলাক 'অন দি স্পটত' বিক্ৰি কৰি দিয়া হয়। গতিকে সেই মতেই সকলো উচ্ছেদ মানি চলা হয়।

Shri A. F. Golam Osmani : Sir, this is a serious matter. Jutes are kept in the market everyday. Nearly 200 and 300 quintals of Jute are stocked in the market everyday and F.C.I. purchese the jute against this sort of certificates. Sir, may I know what was the reason of such hurry to auction this jute without as certaining who are the owners and for what purpose the jute was there ? There is a reason to suspect that S.D.C. was in collusion with the trader and sold it at Rs. 1·50 per quintal as per the auction that he has made. May I therefore,

request the Hon'ble Minister to make an enquiry about it ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, উচ্ছেদ কৰা ঠাইত মৰাপাট বাজেয়াপ্ত কৰা হৈছে সেইকাৰণে 'অন দি স্পটত' বিক্ৰি কৰা হৈছে।

Shri A. F. Golam Osmani :— Sir, is the Minister aware that this is a market which is in existence since the British days and G. P. Samity Godowns were also constructed there and the Director, Panchayat Deptt., went there to inaugurate the same ? What was the reason of such hurry to auction the jute withont ascertaining the owners etc ;

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো অলপ স্পষ্ট কৰি দিব বিচাৰিছো আলিবান্ধ মাটি কাকো এতিয়ালৈকে এলটমেণ্ট দিয়া হোৱা নাই। মহকুমা পৰিষদৰ এই মাটিত কোনো অধিকাৰ নাই।

Shri Thaneswar Boro (Minister) :— I am giving the details. Encroachment case No 123/86-87 and 124/86-87 were started against 61 and 8 encroachers respectively for encroachent on Alibandh Sarkari land which is a reserved land at Kalgachia measuring 12B 4K 12Ls. The Kalgachia weekly market is held on saturday on the same Alibandh Sarkari Land without authority. Taking advantage of holding of the weekly market on the unauthorised land, the encroachers constructed and opened grocery shops, Tea and Tailoring and other shops on permanent nature and also used the place for residential purposes. The structures/stalls constructed on the encroached land are as under ;—

1. Office cum godown- . belonging to Dakhin Ruphosi Gaon Panchyat Samabai Samity.
2. Go-down-5.
3. Tea Stall & Sweet-meat shops-13.
4. Quilt and matress making-1.
5. Tailor-6.
6. Hair cutting saloon-3
7. Pan-shop-1.
8. Fruit shops-2.
9. Grocerty shops-18.
10. Cloth shops-3.
11. Stationery shops-5.
12. Radio Repairing shop-1.
13. Dwelling Houses-2.

Total —61.

The Mahakuma Parishad, Barpeta used to settle the weekly market with the lessee without the land being allotted or reserved for such weekly market.

Jute weighing approx. 15 qntls. (10 qntls and 5 qntls) was sold on auction on 21.10.86 at the highest bid of Rs. 560/- and Rs. 485/- and handed over the same to the auction purchasers on the same day. The D.C's stay order of handing over the Jute to the auction purchasers was received by the S.D.C. Kalgachia on 23.10.86. As such the said order of the D.C. could not be implemented.

The Ruposi-Gaon-Panchayat-Samabai-Samity constructed an Assam Type House on the P.W.D. road-side reserved land without any authority from the Govt. The Chief Administrator, Barpeta Mahakuma Parishad intimated the Asstt. Registrar, Co-operative Societies, Barpeta about the unauthorised construction of permanent house by the Ruposi Gaon Panchayat Samabai Samiti Samity with a copy to the S.D.C. Kalgachia vide his letter No. MPBR. 3/8/6493-94 dated 20.1.86.

As the land in question is Aliband Satkari reserve land, the holding of allotment reservation of land from the D.C. is unauthorised and illegal. Therefore, construction of permanent structures on the land is illegal and liable to be evicted under the provisions of settlement Rules 18(2).

বিঃ গুৱাহাটী ইণ্ডাষ্ট্ৰিয়েল কো-অপাৰেটিভ চোচাইটি

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে ঃ

*৭০। মাননীয় হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) পূব গুৱাহাটী ইণ্ডাষ্ট্ৰিয়েল কোঅপাৰেটিভ চোচাইটি লিঃ নামৰ এটা বস্ত্ৰ উদ্যোগ থকাটো জানেনে ?

(খ) যদি জানে, কেতিয়া কিমান টকা ব্যয় কৰি এই উদ্যোগটো স্থাপন কৰা হৈছিল ?

(গ) উক্ত উদ্যোগটো চলি আছেনে ?

(ঘ) যদি নাই, কেতিয়াৰ পৰা অচল হৈ আছে আৰু তাৰ কৰণ কি ?

(ঙ) উক্ত উদ্যোগ বোৰৰ তাঁত শালবোৰ ব্যৱহাৰৰ উপযোগী হৈ আছেনে ? যদি নাই, সেই ক্ষতিৰ বাবে দায়ী কোন ?

(চ) বিভাগীয় বিষয়াই উদ্যোগটো অচল হৈ থকা কালচোৱাত পৰিদৰ্শনৰ কৰিছিলনে ?

(ছ) যদি কৰিছিল, কোনে কেতিয়া পৰিদৰ্শন কৰিছিল আৰু উদ্যোগটো পুনৰজীবিত কৰাৰ বাবে কি ব্যৱস্থা লৈছিল ?

(জ বৰ্ত্তমান তাৰ ঘৰ, মাটি শাল-পাত আদি কাৰ তত্বাৱধানত ৰখা হৈছে ?

শ্ৰীনগেন শৰ্ম্মা (হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

৭০। (ক) —হয়, জানো।

(খ)—১৯৬০ চনত সমবায় খণ্ডত গুৱাহাটী ইণ্ডাষ্ট্ৰিয়েল কোঃ অঃ চোচাইটি নামেৰে পঞ্জীয়ন হৈ এই উদ্যোটো গঢ়ি উঠিছিল। এই উদ্যোগটো স্থাপন কৰাৰ ক্ষেত্ৰত চৰকাৰে সমবায় বিভাগৰ জৰিয়তে মুঠ ১৭,৪৫২.৫০ টকা ব্যয় কৰিছিল।

(গ) নাই।

(ঘ) ১৯৭৫-৭৬ চনৰ সমবায় বৰ্ষৰ পৰা এই সমবায় সমিতি তথা কাৰ-খানা অচল হৈ আছে। অচল হোৱাৰ মূল কাৰণ হ'ল ঃ-

(১) কাৰ্যকৰী মূল ধনৰ অভাৱ।

(২) কেচামাল প্ৰধানকৈ চাইজিং ৰিমৰ অনিয়মিত যোগান আৰু উৎপাদিত কাপোৰৰ বিক্ৰীৰ অনিশ্চয়তা।

(৩) সমিতিৰ নিজা ৰবীয়াকৈ কোনো লোক নিযুক্তি দিয়াৰ অক্ষমতা

(ঙ) - মুঠ ২৪ খন বিদ্যুত চালিত তাঁত শালৰ কিছু সংখ্যক শাল ব্যৱহাৰৰ বাবে বৰ্ত্তমানেও উপযোগী হৈ আছে আৰু কিছুমান ব্যৱহাৰৰ অনুপযোগী হৈছে যদিও কিছু সা-সজুলী আৰু যান্ত্ৰিক মেৰামতি কৰিলে বাকীখিনিও চলাব পৰা যাব ক্ষতিৰ কাৰণ সম্পৰ্কত ঘ)ত উল্লেখ কৰা কাৰণ সমূহ বিবেচনা কৰা যায়।

(চ হয়, কৰিছিল।

(ছ)—বিদ্যুত চলিত তাঁত শিল্প বিষয়াই যোৱা ১৯৭৭ চনৰ ৭ মে'ই তাৰিখৰ দিনা সমিতি আৰু কাৰখানা গৃহ পৰিদৰ্শন কৰি আৱশ্যকীয় প্ৰতি-বেদন কিছু পৰামৰ্শৰ সৈতে সমবায় বিভাগৰ পঞ্জীয়কলৈ পঠিয়াইছিল। কিন্তু উক্ত বিষয়ত কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল সেই বিষয়ে আমাৰ কোনো তথ্য পাতি নাই।

(জ) বৰ্ত্তমানে তাৰ ঘৰ মাটি সমিতিৰ নামত আৰু সম্পাদকৰ দায়িত্বতে আছে।

শ্ৰীজয়নাথ শৰ্মা ঃ **On a point of order Sir,** মাননীয় অধ্যক্ষ মহোদয়, হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প বিভাগটো পশুপালন বিভাগৰ মন্ত্ৰীৰ হাতত আছেনে নাই ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো আচলতে ইণ্ডাচটি বিভাগৰ মন্ত্ৰীৰহে হব, তেখেতৰ হাতত এই দায়িত্বটো আছে।

Shri Binoi Kumar Basumatary— Mr Speaker sir, Certain defect has been pointed out in the printed question paper from the Treasury bench side. I think it should be clarified first as to who is holding charge of the

(Voice-He has answered it. Hon Minister Shri Sarma has clarified it)

শ্ৰীদুৰ্গা দাস বড়ো ঃ— মাননীয় অধ্যক্ষ মহোদয়, 'ঙ' প্ৰশ্নৰ উত্তৰত কৈছে মুঠ ২৪ খন বিদ্যুত চালিত তাঁত শালৰ কিছু সংখ্যক শাল ব্যৱহাৰৰ বাবে বৰ্ত্তমানেও উপযোগী হৈ আছে আৰু কিছুমান ব্যৱহাৰৰ অনুপযোগী হৈছে যদিও কিছু সা-সজুলি আৰু যান্ত্ৰিক মেৰামতি কৰিলে বাকীখিনিও চলাৰ পৰা যাব। এতিয়া কথা হৈছে যি সংখ্যক তাঁতশাল এতিয়াও উপযোগী হৈ আছে সেইখিনি চৰকাৰে অনুপযোগী হোৱালৈ বৈ থাকিব নে উপযোগী হোৱা ল বৈ থাকিব ?

শ্ৰীদিগেন চন্দ্ৰ বৰা মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয় আগতে এই বিভাগটো কো অপাৰেটিভ ডিপাৰ্টমেন্টৰ তলত আছিল। এতিয়া হেণ্ডলুম টেক্সটাইল ডিপাৰ্টমেন্টৰ তলত আহিছে। আমি এইটো পুনৰ চলাবৰ কাৰণে ব্যৱস্থা হাতত লৈছো। এইটো পুনৰ চালু কৰিবৰ কাৰণে ইতিমধ্যে ৫৪ হাজাৰ টকা ৰখা হৈছে। কথা হৈছে পূব গুৱাহাটী কোঃ অপাৰেটিভ চোচাইটি আৰু গুৱাহাটী উইভিং কোঃ অপাৰেটিভ চোচাইটিৰ লগত চামিল কৰণৰ কাম চলি আছে আৰু এই কাম শেষ হলেই আমি পইচাটো হেণ্ড অভাৰ কৰিব পাৰিম।

Shri Altaf Hussain Mazumder – Mr Speaker, sir, on a point of order, he should be allowed to speak.

শ্ৰীদুৰ্গা দাস বড়ো ঃ – মাননীয় অধ্যক্ষ মহোদয়, 'ঘ' ত কোৱা হৈছে তিনিটা কাৰণত অচল হৈ থকা বুলি। ১ নং ত কৈছে কাৰ্য্যকৰী মূলধনৰ অভাৱ। ২ নং ত কৈছে কেচামাল প্ৰধানকৈ চাইজিং বিমৰ অনিয়মিত যোগান আৰু উৎপাদিত কাপোৰ বিক্ৰীৰ অনিশ্চয়তা। ৩ নং ত কৈছে সমিতিৰ নিজা ৰবীয়াকৈ কোনো লোক নিযুক্তি দিয়াৰ অক্ষমতা।

—গণ্ডগোল—

মই এই প্ৰশ্ন সম্পৰ্কে ঘৰতেই সাজু কৰি বা 'ৰেডি' কৰি আহিছো।

(boisterous laughter on all sides)

Mr Speaker – Order, order, please sit down. Next Question No. 71 -- Member absent. Then question No. 72 (Q. No. 71 not put)

তৰাঙ্কিত প্ৰশ্ন নং ৭২

শ্ৰীপদ্মনাথ কৈৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, বিশ্বনাথ চাৰিআলীৰ পানীযোগান আচনিৰ কাৰণে চৰকাৰে কিমান টকা ধাৰ্য্য কৰাৰ সিদ্ধান্ত লৈছে। লগতে বিধায়কৰ নামত ১০০ টাকৈ টিউবৱেল দিয়া হৈছিল বুলি কোৱা হৈছিল। এই টিউবৱেল এতিয়াও বহুতো জাগাত পোৱা নাই। কৰবাত পাইছে যদিও নেজানো। মোৰ ঠাইত কিন্তু পোৱা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজয়নাথ শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, বিধায়কক টিউবৱেল দিয়া হৈছিল নেকি ?

কৰী বিভাগে প্ৰস্তুত কৰি উলিওৱা বিশ্বনাথ চহৰ পানী যোগান আচনি খনৰ কাৰিকৰী অনুমোদন ভাৰত চৰকাৰৰ পৰা ২৯-৮-৮৬ চনত লাভ কৰে। কাৰিকৰী অনুমোদন লাভ কৰা আচনি খনৰ অনুমানিক ব্যয় ১৭৪-৩২ লাখ কাৰিকৰী অনুমোদন পোৱাৰ পাচত আচনিখন প্ৰশাসনীয় অনুমোদন লাভ কৰাৰ বাবে পৌৰ প্ৰশাসন বিভাগলৈ ৪।৯।৮৬ তাৰিখে পঠোৱা হৈছে। পৌৰ প্ৰশাসন বিভাগৰ প্ৰশাসনীয় অনুমোদন লাভ কৰাৰ পাচত আৰ্থিক অনুমোদন পালে আচনিখনৰ কাম হাতত লোৱা হব। দমকল সম্পৰ্কে এটা বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয় শোণিতপুৰত যেনেকৈ পানীযোগানৰ কথা উঠিছে তেনেকৈ দিচপুৰত অভাৱগ্ৰস্ত হৈ থকা পানীৰ কিবা ব্যৱস্থা লব নেকি ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

STD Q. No. 73 (Supplimentary)

Shrs Abdul Muqtadir Choudhury – Sir, it appears from the reply that not even 15 or 20 per cent of the Judicial officers are having quarters. May I know whether the Government will take up the Judicial officers' problem for solution on priority basis:

Shri Surendra Nath Medhi (Minister) – There are 146 number of Judicial officers in the State. Out of them 70 officers have been provided with quarters and 76 officers are yet to be provided with quarters. Under the award of the Eight Finance commission there is an amount of Rs. 29.4o lakhs for the purpose and we have proposed to construct about 12 number of quarters for the Judicial officers.

Shri Ramendra Dey : Mr Speaker Sir, what is the reason of taking so much employees as Master Roll in Hailakandi Irrigation department ?

Shri Pabin Chandra Deka (Minister, Irrigation)

I like to state that the provision of regularising work charged workers is that one person should complets 5 years as workcharge. Upto 1978 those who have completed 2 years in Karimganj and Hailakandi divison have been regularised during 1981-82. The reason is inadequate. This is the only basis. Thank you sir.

Shri Ramendra Dey : Sir my question is very specific. The work-charge employees of Karimganj have [illegible] Hailakandi division which

carries the liabilities of 144 work charge employees have not been regularised. What is the reason? And now the Division is engaging more employees. I am putting another supplementary What Government is taking any step to regularise the master roll employees and the work-charge employees of the Irrigation department as a whole?

Shri Pabin Chandra Deka (Minister Irrigation)

The reason is inadequate finance. Now the Government, the present Government is taking all necessary steps to regularise all the work-charge employees.

Shri Ramendra Dey : Hon'ble Minister has stated that some employees of the Irrigation department in Hailakandi division have been regularised in the year 1982 even I know in the year 1985-86. If so, what is the problem to take a step to regularise services of the employees throughout the state and why only for Hailakandi division?

Shri Pabin Chandra Deka(Minister Irrigation)

Mr. Speaker Sir; I have already stated that due to inadequate finance all the work-charge employees are not being regularised. Now, the present Government has taken all necessary steps to see that the work-charge employees are regularised.

শ্ৰীৰত্নেশ্বৰ চবকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে, যিহেতু বান নিয়ন্ত্ৰণ বিভাগে মাটি অধিগ্ৰহন কৰিছিল সেই মাটি বাননিয়ন্ত্ৰণৰ হয় নে নহয়?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যি ঠাইত মঠাউৰি বন্ধা হয়, সেই ঠাই ৰাজহ বিভাগে অধিগ্ৰহণ কৰি দিয়ে। কিন্তু অধিগ্ৰহণ কৰা বাবদ মাটিৰ মূল্য বাননিয়ন্ত্ৰণ বিভাগে জিলা উপায়ুক্ত বা মহকুমাধিপতিৰ যোগেদি মালিকক দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, এই বোনাচ বৃদ্ধিলৈ কিছুমান বাগিছাত অশান্তি চাঞ্চল্যকৰ ৱহু বেয়া পৰিস্থিতি হৈ থাকে। তাৰ কাৰণে লক্ষীমপুৰত গুলী চালনাও হৈছিল। কাছাৰৰ দেৱান বাগিছাত পুলিচৰ গুলী চালনা হৈছিল। মোৰ প্ৰশ্নটো হৈছে যে বোনাচৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই চোকা দৃষ্টিৰ ব্যৱস্থা লব নে? বোনাচৰ নীতি মতে ৩৩ শতাংশ সলনি কৰি শুদ্ধ নীতি লব নে? যাতে কোনো জাগাত অপ্ৰীতিকৰ ঘটনাৰ সৃষ্টি নহয়।

Mr Speaker : Order, Order Time for Starred question is over. Now short notice questions

## Short Notice Question

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এজন কৃষি বিভাগৰ অতিৰিক্ত সঞ্চালক (অভিযান্ত্ৰিক," Acditional D rector (Agriculture Engineering) ইং ৩০.১।৮৬ তাৰিখে অৱসৰ পোৱাটো সচাঁনে ?

(খ উক্ত বিষয়াজনৰ বয়সৰ চাৰ্টিফিকেট আছিলনে ?

(গ) যদি আছিল, বয়সৰ চাৰ্টিফিকেটখন সদনত দাখিল কৰিবনে ?

(ঘ) উক্ত বিষয়াজনে সৰ্ব্বমুঠ কিমান বছৰ চাকৰি কৰিলে ?

শ্ৰীনীলমণি দাস কৃষি বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিব ঃ

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্ম্মাৰ প্ৰশ্নৰ উত্তৰত মই কব বিচাৰিছো যে অতিৰিক্ত সঞ্চালকজনে অৱসৰ লোৱাটো সঁচা কথা। খ অংশৰ উত্তৰত মই কওঁ যে বিষয়াজনে প্ৰমাণ পত্ৰ হেৰুৱা বুলি চৰকাৰক জনায়। প্ৰমাণ পত্ৰ নথকাৰ বাবে সদনত দাখিল কৰিব পৰা নগল।......ইংৰাজীত ....

এইখিনি কথা এইটোয়ে শুদ্ধ উত্তৰ নহয়। প্ৰ,ততে মই তিনি চাৰিবাৰ ফাইল চাইছো আৰু প্ৰথমবাৰতেই কেলবুলেচন কৰা হৈছে। সেইমতে ভুল আছিল। তৃতীয় বাৰ দেখা গল অসম ৰাজপত্ৰত যি মতে প্ৰমাণপত্ৰ দাখিল কৰিছিল সেইমতে কেলকুলেচন কৰি পোৱা হয় যে সেইমতে অৱসৰ দিয়া হৈছে আৰু অৱসৰ পোৱা বিষয়াজনে সৰ্ব্বমুঠ ৩৪ বছৰ ১৭ দিন চাকৰি কৰিলে।

শ্ৰীজয় নাথ শৰ্ম্মা ঃ এই তিনিটা কেলকুলেচন কৰা হৈছে যেতিয়া সদনত দাখিল কৰিব লাগে। এনেকৈয়ে আগৰ চৰকাৰৰ দিনত বহুতো ঘটনা আছে বহুতে ঢাকা ইউনিভাৰচিটিৰ প্ৰমাণপত্ৰলৈ চাকৰি কৰি আছে। এতিয়া মন্ত্ৰী মহোদয়ে নিজেই এবাৰ নহয় দুবাৰ নহয় তিনিবাৰৰ কথা কৈছে। এই তিনিওটা ফৰমুলা ৰিফাইন কৰিব লাগে।

শ্ৰীনীলমনি দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো যে এই প্ৰমাণ পত্ৰ হেৰুৱাৰ কাৰণে মই নিজেই স্তম্ভিত হৈছো। এনেবুৱা চৰকাৰী বিভাগত হব নালাগে। যিয়েই নহওক সেই সময়ত ফাইল মোৰ হাতত আহিছিল। সেই ফাইলটো পঢ়ি চাই দেখিলো গ্ৰেডেচন লিষ্ট কৰা হৈছিল ১৯৮১ চনতে সেই গ্ৰেডেচন লিষ্টমতে জন্মৰ দিন আছিল ২১।২।২৮ তাৰিখে। সেই গ্ৰেডেচন লিষ্টমতে তেখেতৰ চিনিয়ৰটি কৰা হৈছিল। কিন্তু সেইমতে পোৱা ভুলৰ ফলত তেখেতক প্ৰমাণ পত্ৰ দাখিল কৰিবলৈ কোৱা হৈছিল। তেতিয়া তেখেতে প্ৰমাণ পত্ৰ হেৰুৱা বুলি কৈছিল। তেখেতৰ পৰা তদন্ত কৰি পোৱা হয় তেখেতে যেতিয়া মেট্ৰিক পাছ কৰিছিল তেতিয়া বয়স আছিল ১৫ বছৰ ৩ মাহ। ১৯৪৪ চনৰ জুলাই মাহৰ ১৯ তাৰিখে মেট্ৰিক পাছ কৰিছিল। সেই গেজেট নোটিচ মতে তেখেতৰ ১৫ বছৰ ৩ মাহ হোৱা কথাটো সঁচা। সেই গেজেট তাৰিখমতে তেখেতৰ জন্ম দিন আছিল। সেইকাৰণে যদি ১৫ বছৰ ৩ মাহত তেখেতে মেট্ৰিক পাছ কৰে

তেতিয়া হলে তেখেতৰ জন্মৰ তাৰিখ ডিচেম্বৰ মাহৰ ৩ তাৰিখে নহয় ডিচেম্বৰ মাহৰ ১ তাৰিখেহে হয়। তেতিয়া হলে তেখেতৰ ডিচেম্বৰ মাহৰ ১ তাৰিখৰ আগবেলা অথবা নবেম্বৰ মাহৰ পিছ বেলা হব পাৰে।

## বিঃ নিম্ন মানৰ খাদ্য বিক্ৰি

শ্ৰীমহেন্দ্ৰমোহন ৰায় চৌধুৰীয়ে সুধিছে :

৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বজাৰত মিঠাইকে ধৰি আন বহুতো নিম্ন মানৰ খাদ্য সামগ্ৰী মুকলিভাবে বিক্ৰি হৈ থকা কথা চৰকাৰে জানেনে?

(খ) খাদ্য সামগ্ৰী বিক্ৰি কৰা প্ৰতিস্থান বিলাক ভেজাল খাদ্য নিবাৰণী আইনৰ অধীনত অনুজ্ঞা পত্ৰ দিয়া হৈছেনে?

(গ) যদি অনুজ্ঞা পত্ৰ দিয়া হোৱা নাই কেতিয়া এই ব্যৱস্থা লব?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিব : মাননীয় অধ্যক্ষ মহোদয়, ৩ নং (ক) প্ৰশ্নৰ উত্তৰ হয় জানে।

(খ) প্ৰশ্নৰ উত্তৰ : দিয়া হোৱা নাই।

(গ) প্ৰশ্নৰ উত্তৰ : এই বিষয়ে বিহিত ব্যৱস্থা সোনকালে লোৱা হব।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে জানে বুলি কৈছে। যদি জানেই বিগত দিনত ভেজাল খাদ্যসমূহৰ ব্যৱস্থা লোৱা কিয় নাছিল? ইয়াৰ কাৰণ কি? প্ৰশ্ন ২ নংত মন্ত্ৰী মহোদয়ে কৈছে যে যিমান সোনকালে পাৰে সিমান সোনকালে লোৱা হব। কিমান দিনৰ ভিতৰত লোৱা হব?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিগত চৰকাৰ সমূহে যি ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থাখিনি লব পৰা নহল বা নললে। আমাৰ চৰকাৰে অতি সোনকালে ব্যৱস্থা লব। কিন্তু কিমান দিনৰ ভিতৰত লোৱা হব সেইটো ধৰি দিয়া টান। অৱশ্যে এটা কথা ঠিক যে এই বিষয়ে ভালকৈ চালি জাৰি চাইহে এই প্ৰশ্নৰ উত্তৰ দিয়া হৈছে।

শ্ৰীমহেন্দ্ৰমোহন ৰায় চৌধুৰী ; মাননীয় অধ্যক্ষ মহোদয় এই ভেজাল খাদ্য সমূহৰ পৰা বিভিন্ন ধৰণৰ বেমাৰ হয়। এই ক্ষেত্ৰত কি নীতি নিয়ম বাধ্যতামূলক কৰি দিব লাগে। ইয়াৰ ব্যৱস্থা লোৱাৰ বাবে সদনক আশ্বাস দিয়া ভাল হয়।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো পৰিপূৰক প্ৰশ্ন হব পাৰে। এই পৰিপূৰক প্ৰশ্নৰ সন্দৰ্ভত একেলগে বহলকৈ দিলে তেতিয়া বোধহয় আটাইয়ে সন্তুষ্ট হব। বৰ্ত্তমান ৰাজ্যত "ভেজাল খাদ্য নিবাৰণী আইন" খন ১৯৫৫ চনৰ পৰাই বলবৎ আছে। এই কেন্দ্ৰীয় আইন খনৰ অধীনত অসমত অসম ভেজালখাদ্য নিবাৰণী নিয়মাৱলীৰ ১৯৬১ চনৰ পৰা বলবৎ কৰা হৈছিল। সেই নিয়মাৱলীখনতে স্থানীয় প্ৰাধিকাৰী সমূহক অনুজ্ঞা পত্ৰ দিবলৈ অধিকাৰ দিয়া হৈছিল। এতিয়া দেখা গ'ল যে নানা ধৰণৰ অসুবিধাৰ কাৰণে স্থানীয় প্ৰাধিকাৰী সমূহে বিহিত ব্যৱস্থা লব নোৱাৰিলে। সেই কাৰণে ভেজাল খাদ্য নিবাৰণী আইনখনৰ অধিনত অনুজ্ঞা পত্ৰ দিয়াটো বাধ্যতামূলক। গতিকে বৰ্ত্তমান চৰকাৰে সোনকালেই ইয়াৰ বিহিত ব্যৱস্থা ...

প্ৰাৰম্ভনিতে বৰ্ত্তমান পাঁচখন পৌৰ এলেকাত ভেজাল খাদ্য নিবাৰণী আইনৰ অধীনত অনুজ্ঞা পত্ৰ দিবলৈ ঠিৰাং কৰা হৈছে আৰু ক্ৰমান্বয়ে দুই এবছৰৰ ভিতৰতে গোটেই ৰাজ্যত গ্ৰাম আৰু চহৰ অঞ্চললৈ ইয়াক সম্প্ৰাসাৰিত কৰা হব। এই আঁচনি কাৰ্য্যকৰি কৰিবলৈ চাকাৰে কৰ্ম্মচাৰী নিয়োগ কৰিবলৈ সোনকালে ব্যৱস্থা লব।

এই অনুজ্ঞা পত্ৰ দিয়াৰ ফলত ভেজাল খাদ্য নিবাৰণী আইনখন বলবত্ কৰিবলৈ সুবিধা হব আৰু প্ৰকৃত ভেজালকাৰীক চিনাক্ত কৰিবলৈ বেছি সুবিধা হব আৰু লগতে অনুজ্ঞা পত্ৰৰ শুল্কৰে চৰকাৰৰ পুজিলৈ কিছুধন সংগ্ৰহ হব। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক নিয়মাৱলী খনো ইতিমধ্যে সংশোধন কৰা হৈছে।

এই সংক্ৰান্তত উল্লেখ কৰিব পাৰি বৰ্ত্তমান ২৭(সাতাইশ) জন খাদ্য পৰিদৰ্শকক অসমৰ সকলো জিলাৰ গ্ৰাম আৰু চহৰ অঞ্চলতে কাম কৰিবলৈ নিযুক্তি দিয়া হৈছে।

## বি: জনমুৰি নিৰ্দ্ধাৰিত বিনিয়োগ।

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে:

৪। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহকৰি জনাবনে:

(ক) অসমত ১৯৮০ ১৯৮১,১৯৮২,১৯৮৩,১৯৮৪,১৯৮৫ আৰু ১৯৮৬ চনত জনমুৰি নিৰ্দ্ধাৰিত বিনিয়োগ (ব্যয়) (Per capita investment) কি?

(খ) যোৱা পাচ বছৰত পৰিকল্পনা ধনৰ ব্যয়ৰ হাৰ জনমুৰি ভিত্তিত কি?

(গ) জনমুৰি বিনিয়োগ (ব্যয়ৰ) হাৰ (Per capital inves ment) বৃদ্ধিৰ বাবে চৰকাৰৰহাতত কিবা আঁচনি আছে নে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিয়ে:

মাননীয় অধ্যক্ষ মহোদয়, আৰ্থিক বছৰৰ মধ্যবৰ্ত্তী কালৰ জনসংখ্যাৰ ভিত্তিত জনমুৰি নিৰ্দ্ধাৰিত বিনিয়োগ এনেধৰণৰ —

| | |
|---|---|
| ১৯৮০-৮১ | - ১০০ ৫০ টকা |
| ১৯৮১-৮২ | —১০০.৫০ টকা |
| ১৯৮২-৮৩ | —১১৩.৯৭ টকা |
| ১৯৮৩-৮৪ | —১৩৫.৪০ টকা |
| ১৯৮৪-৮৫ | —১৬২.৭৭টকা |
| ১৯৮৫-৮৬ | —১৮০.০৯ টকা |
| ১৯৮৬-৮৭ | —২১৩.৩০ টকা |

আৰ্থিক বছৰৰ মধ্যবৰ্ত্তীকালৰ জনসংখ্যাৰ ভিত্তিত পৰিকল্পনাৰ ধনৰ ব্যয়ৰ হাৰ জনমুৰি ভিত্তিত এনে ধৰণৰ:

| | |
|---|---|
| ১৯৮১-৮২ | —১০২.৫৪ টকা |
| ৭৯৮২-৮৩ | - ১০৭.৬৭ টকা |
| ১৯৮৩-৮৪ | ১৩১.১২ টকা |
| ১৯৮৪-৮৫ | ১৫১ ১৪ টকা |
| ১৯৮৫-৮৬ | ১৭৬.১০ টকা |

(গ) প্ৰশ্নৰ উত্তৰ—আছে।

শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে জনমুৰি ইনভেষ্টমেণ্ট অল ইণ্ডিয়াৰ তুলনাত কম। আমাৰ পৰিকল্পনাৰ বুকলেটতে এই কথাটো আছে। প্ৰথম পাঁচ বছেৰেকীয়া পৰিকল্পনাত এইটো ভাৰতৰ তুলনাত কম আছিল। ষষ্ঠ পৰিকল্পনাত অসমত যেতিয়া ৬৬২ আছিল তেতিয়া অল ইণ্ডিয়া ৮৯১ আছিল। অসমত উদ্যোগ আদি স্থাপনত ইনভেষ্টমেণ্ট বেছি হয়। তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কি ধৰণৰ এচেষ্ট কৰিব জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুঃমঃ : মাননীয় অধ্যক্ষ মহোদয়, জনমূৰি বিনিয়োগৰ ধন বৃদ্ধি কৰিবৰ কাৰণে বছৰে বছৰে আবণ্টন কৰা ধনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ পৰিকল্পনা আয়োগক হেচা দি থকা হৈছে। প্ৰকৃত পক্ষে জনমূৰি ধনৰ বিনিয়োগ বছৰে বছৰে বৃদ্ধি পাই গৈ আছে। ১৯৮১-৮২ চনত জনমূৰি খৰচ আছিল ১০২ ৫৪ টকা। এই টকা বছৰে বছৰে বৃদ্ধি হৈ ১৯৮৫-৮৬ চনত হবগৈ ১৮০.০৯ টকা। পৰিকল্পনাৰ সামগ্ৰিক ৰূপায়ণৰ দ্বাৰা জনমূৰি টকা বিনিয়োগৰ হাৰ বৃদ্ধি পাব।

মাননীয় অধ্যক্ষ মহোদয়, সপ্তম পৰিকল্পনাৰ কালচোৱাত জনমূৰি বিনিয়োগৰ ধন বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে ৩,৫৫০ কোটি টকাৰ এখন খচৰা পৰিকল্পনা যুগুতাই উলিয়াইছিল। এই খচৰাত জনমূৰি বিনিয়োগ পাছ বছৰত ২৮৫ ২৫ টকা হলেহেতেঁন। কিন্তু মুৰকত পৰিকল্পনা আয়োগে ২১০০ কোটি টকাৰ এখন পৰিকল্পনাতহে অনুমোদন জনায়। সেই মতে পাছ বছৰত জনমূৰি বিনিয়োগ ১৬৮ ৭৩ টকাহে হব। বছৰে বছৰে পৰিকল্পনাৰ কলেৱৰ বঢ়াই পাছ বছৰত জনমূৰি বিনিয়োগ বঢ়াবলৈ আয়োগক হেচা দি থকা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয় প্ৰথম পাছ বছৰীয়া পৰিকল্পনাৰ পৰা সপ্তম পাছ বছৰীয়া পৰিকল্পনালৈকে এই কাল ছোৱাত সৰ্ব্ব ভাৰতীয় হাৰৰ তুলনাত অসমত জনমূৰি 'ইন্‌ভেষ্টমেণ্ট' কম হৈছে। এইদৰে অসমৰ মাসুহক ভাৰত চৰকাৰে থগি থকা নাইনে? যদি সেয়ে হৈছে তেতিয়াহলে ইয়াৰ পৰা ৰক্ষা কৰিবলৈ অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ নকৰিবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়. বহু ক্ষেত্ৰত এইটো পৰিকল্পনা আয়োগৰ ওপৰত নিৰ্ভৰ কৰিব।

## Miscellaneous Discusssion

মাননীয় অধ্যক্ষ : এতিয়া আমাৰ মাননীয় সদস্য শ্ৰীপদ্মনাথ কয়ৰীয়ে বনানীকৰণ সম্পৰ্কে এটি বিষয় বনমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব।

*শ্ৰীপদ্মনাথ কয়ৰী : মাননীয় অধ্যক্ষ মহোদয় বিশ্বনাথৰ ঘাটৰ পাৰ্শ্বস্থ অঞ্চলত এখন সৰু টাউন গঢ়ি উঠিছে। কিন্তু তাত বিশ্বনাথ ঘাটত গঢ়ি উঠা সেই টাউনত মহকুমাধিপতিৰ নিৰ্দ্দেশত সামাজিক বনানীকৰণৰ কাম আৰম্ভ কৰা হৈছে। এই সামাজিক বনানীকৰণটো সচৰাচৰ কিবা কু অভিসন্ধি নেথাকিলে তাত গঢ়ি উঠৰ নেলাগিছিল। চাৰিওফালে কাইটিয়া তাঁৰৰ বেৰ দি সেই সৰু টাউন খন বেঢ়ি পেলোৱা হৈছে। এন, আৰ, পি, আঁচনিত লোৱা আঁচনিৰ জৰিয়তে এই সামাজিক বনানীকৰণৰ কাম কৰা

*Speech remain uncorrected

হৈছে। অসমৰ অনান্য ঠাইত গঢ় লৈ উঠা 'টাউন' বিলাকৰ নিছিনাকৈ যদি কৰিলেহেঁতেন তেতিয়াহলে, নিশ্চয় ভাল হলহেতেন। বিশ্বনাথ ঘাটলৈ যাবৰ কাৰণে যিটো ৰাস্তা ছুখন ট্ৰাকো সেই ফালেদি যাব নোৱাৰে মই এখন মেপ' আনিছো দৰ্কাৰ হলে মাননীয় মুখ্যমন্ত্ৰীক মই সেই মেপ খন দেখুৱাব পাৰিম। সেই ঠাইখন এখন মাইনৰিটি' অধ্যুষিত অঞ্চল। আজি যিটো সময়ত অসমত বিভিন্ন জাতি-গোষ্ঠী' ধৰ্ম্মৱলম্বী মানুহৰ সমন্বয়ৰ কথা উঠিছে সেই সময়ত এই ধৰণৰ কাম বিলাক কৰিলে সি তাৰ পৰিপন্থীহে হব। আমাৰ চৰকাৰৰ সদিচ্ছা থকা স্বত্তেও কিছুমান অসত্ বিষয়াই এই কাম বিলাক কৰি আছে। ফলত চৰকাৰটো বদনামা হৈছে। এই বিলাক কথা আমি ভাৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই কথাবিলাক যদি আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দ্বাৰা অনুসন্ধান কৰি চোৱা হয় তেতিয়াহলে ইয়াৰ সত্যাসত্য ওলাই পৰিব। গতিকে এই কথাটো গুৰুত্ব সহকৰে বিবেচনা কৰি অনতি পলমেই এই বিষয়ে বিহীত ব্যৱস্থা গ্ৰহণকৰিবলৈ মই আমাৰ মাননীয় বন মন্ত্ৰী মহোদয়ক টানি অনুৰোধ কৰিছো।

*শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীপদ্মনাথ কয়ৰীয়ে যিটো বিষয় উত্থাপন কৰিছে সেইটোৰ কিবা সত্যতা আছে বুলি মই নেভাবো।

মাননীয় সদস্য জনে যিটো সামাজিক বনানীকৰণৰ কথা কৈছে সেই কাম আৰম্ভ কৰাৰ আগেয়ে আমি সংশ্লিষ্ট বিভাগ বোৰৰ লগত আলোচনাকৰিহে কাম কৰিছিলো। মহকুমাধিপতি গড়কাপ্তানী বিভাগৰ বিষয়া সকল আৰু বন বিভাগৰ যুটীয়া আলোচনা ক্ৰমেহে এই সামাজিক বনানীকৰণ কৰিবৰ কাৰণে সিদ্ধান্ত কৰা হয়।

আৰু মহকুমাধিপতি আৰু গড়কাপ্তানী বিভাগৰ বিষয়া সকল বা বন বিভাগৰ বিষয়াসকলৰ দ্বাৰা প্ৰস্তুত কৰা আঁচনি মতেই ইয়াত সামজিক বনানিকৰণৰ আঁচনি লোৱা হৈছিল। কোনো ৰাজনৈতিক উদ্দেশ্যৰ দ্বাৰা পৰিচালিত হোৱা নাই বা কোনো ৰাজনৈতিক উদ্দেশ্য ইয়াৰ লগত জড়িত নাই। ইয়াত যেতিয়া সামাজিক বননিকৰণৰ কাৰণে আঁচনি লোৱা হৈছে কাটাতাঁৰৰ বেৰ দিওতে কত ৰাস্তা আছে, কত দোকান বজাৰ আদি আছে সেই সকলো বিলাক চাইহে দিয়া হৈছে আৰু যত যিমান মাটি এৰাৰ প্ৰয়োজন হৈছে তাত সিমান মাটিয়েই এৰি দিয়া হৈছে। সেই কাৰণে এই আঁচনিৰ উদ্দেশ্য সংখ্যালঘু সকলক হাৰাশাস্তি কৰা বুলি যিটো অভিযোগ উত্থাপন কৰিছে সেইটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। মোৰ কামেই হৈছে যতেই খালি ঠাই পোৱা যায় তাতেই তাতেই গছপুলি ৰোৱা। সেই কাৰণে মই যেনিয়েই যাও সেইফালে কত কত খালি ঠাই আছে, কত কত গছপুলি ৰুব পৰা যায় সেইবিলাক চাই যাও। আমি সেই ঠাইৰ মহকুমাধিপতি, গড়কাপ্তানি বিভাগ আৰু বন বিভাগক সুধি লোৱাৰ পিচতহে এই আঁচনি লৈছো। মাননীয় সদস্য শ্ৰীকইৰী ডাঙৰীয়াই যিটো কথাত ভয় খাইছে সেইটো কথাত ভয় খোৱাৰ মুঠেই থল নাই। আমি সামাজিক বননিকৰণৰ যিটো আঁচনি লৈছো সেইটো ৰাইজৰ উপকাৰৰ কাৰণেই লৈছো।

শ্ৰীপদ্মনাথ কইৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো কথা ... সামাজিক বননিকৰণৰ উদ্দেশ্য

যে সৎ আৰু মহৎ সেই কথা আমি অস্বীকাৰ কৰিব নোৱাৰো। সামাজিক বননিকৰণৰ কাৰণে মানুহে মাটি এৰি দিয়ে। সামাজিক বননিকৰণ কৰিব নালাগে বুলি আমি কোৱা নাই। কিন্তু মই কব খুজিছো যে অন্যান্য ঠাইত যি ধৰণেৰে কৰা হৈছে সেই ধৰণে ইয়াতো কৰা হলে ভাল আছিল। এইখন মেপ 'এখন মেপ দেখুৱাই) মোৰ হাতত আছে। ইয়াত ৰাস্তাৰ পৰা কিমান দূৰত কাটাতাঁৰৰ বেৰ দিয়া হৈছে সেইটো আছে। গতিকে সেই সকলোবিলাক কথা চাই মন্ত্ৰী মহোদয়ক বিতং বিৱৰণী দিবলৈ মই অনুৰোধ জনাইছোঁ।

শ্ৰীভৰত নৰহ (মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে এইটো কথা ইয়াত উত্থাপন কৰাৰ কাৰণে মই তেখেতক বেয়া পোৱা নাই। কাৰণ নিশ্চয় তেখেতক কেইজনমান মানুহে আহি ধৰিছেহি। যি সকল লোকৰ ইয়াৰ দ্বাৰা অসুবিধা হৈছে সেই সকল লোকে শ্ৰীকইৰী যেতিয়া সেই সমষ্টিৰ প্ৰতিনিধি তেখেতক ধৰিছেহি। তেখেতসকলে নিজৰ স্বাৰ্থৰ ভাবেই ইয়াত সামাজিক বননিকৰণ কৰিব নালাগে বুলি কৈছে। ৰাইজে কিহৰ৷ কাৰণে এইটো কৈছে সেই কথা আমি নজনা নহয়। অসমৰ ৰাইজে আজিও বননি-কৰণক আদৰণি জনাব পৰা নাই। ৰাইজে কয় যে আমাক গছ-গছনি নালাগে আমাক মাটিহে লাগে। কাৰণ মাটি পালে তাত দোকান দিব পাৰিব, বজাৰ বহুৱাব পাৰিব, গছপুলি ৰূলে ৰাইজে কি পাব? শ্ৰীকইৰী ডাঙৰীয়াই সেই সমষ্টিৰ প্ৰতিনিধি। সেই ফালৰ পৰা তেখেতৰ সেই ঠাইত যি দায়িত্ব আছে সেইদৰে বিশ্বনাথ মহকুমাৰ যি জন মহকুমাধিপতি তেখেতৰো সেই মহকুমাটোৰ প্ৰতি দায়িত্ব আৰু কৰ্ত্তব্য আছে। গতিকে মহকুমাধিপতি গড়কাপ্তানি বিভাগ আৰু বন বিভাগ, এই তিনিটা বিভাগ লগ লাগি এই আঁচনি লৈছে।

Mr. Speaker—Now an important matter will be raised by Shri Ardhendu Dey on ULFA men arrested in Mon.

Shri Haliram Terang—Sir, on a point of order in regard to reply given by the Minister, Forest Mr: Nrah. Sir, in reply to the matter raised by hon'ble member Shri Koiree, the Minister has said ৰাইজে সামাজিক বননিকৰণ বিৰোধিতা কৰা Sir, M.L.A.s are representing the people and we will speak for the people we represent. But an impression should not be created that we speak for any vested interest. Such impression should not be there.

Mr. Speaker—Yes, I agree with you. Now Mr. Dey to raise the matter.

Shri Ardhendu Kumar Dey—Sir, a very very alarming news was published in the leading dailies of the State and outside on 12.12. 86 under the news item "ULFA men arrested in Mon". Here is the newspaper Sentinel and also the Assam Tribune...

papers this news was published. I am reading it 'ULFA" men arrested in Mon"- Imphal December 11 :— The Army has arrested two Assamese extremists, Prabhat Nath and Pankaj Kumar in Mon district of Nagaland in the first week of December according to a delayed report reaching here to-day.

Official sources say that they were on their way to the headquarters of National Socialist Council of Nagaland (NSCN) in Burma. No weapon was recovered from them.

A letter written by Pravesh Barua, self-styled commander- in chief of the United Liberation Front of Assam (ULFA) responsible for recent killings in Assam, was recovered from them.

They are reported to have told the Army that NSCN leaders had asked Barua to send those ULFA members who had already been given training in guerilla warfare for further training and re-equipment.

Sou ces said that in his letter Barua had assured NSCN leaders that these extremists would soon be sent.

The two arrested men are reported to have told the Army that there are about five hundred Assamese extremists who had already undergone training in guerilla warfare at the NSCN headquaters.

Security measures along the international border have been beefed up to intercept movement of Assamese extremists." Now in the Assam Tribune

Mr. Speaker—One paper is sufficient.

Shri Ardhendu Kumar Dey- Sir, from the newspaper reports it appears that these news items were published in the front page under bold captions and whenever something is published in the front page of a newspaper we take it to be very very important. It reflects the mental condition of the reporters and priority is given in this way. Sir, so long we have discussed this matter in the floor of the Assembly and we have come to know some information about this ULFA, but it appears that the Government machinery do not give much importance on the subject.

Sir, it is a very very serious matter that 400 to

500 people of Assamese youths , they go accross the border to Burma and join with the N.S C.N. where the Chinese give training to them , to both the Naga rebels and these youths of ULFA from Assam , which is an extremist organisation. Sir , where is the integrity and the security of the country. The security of the country is in danger and in question. Will the Government tell the House about this ? Whether the Government is aware of the ULFA activities. Why the Government is keeping their intelligence bureau in such a state that they cannot identify them, or whether the intelligence people are conscious on this aspect ? Or have they allowed them to cross over to Barma border ? I demand a White Paper to be published by the Government on this subject. When the question of security of the country is involved a White Paper would be published on this issue about the ULFA.

Shri Zai Nath Sarma : Sir, a point of order. It concerns about the Law and Order of another State when the hon. member refers about the incident nearabout Imphal.

Mr. Speaker : Please allow Chief Minister to speak.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আলফা নামৰ সংগঠনৰ কাৰ্য্যকলাপৰ বিষয়ত মাননীয় সদস্য গৰাকীয়ে নিজৰ বক্তৃতাৰ জৰিয়তে যি খিনি সচেতনতা দেখুৱাইছে আমি কাৰ্য্য ব্যবস্থাৰে- সচেতনতা দেখুৱাইছো। সেই কাৰণে আলফাৰ লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আজি সদনত মাননীয় সদস্য ই যি বাতৰি উত্থাপন কৰিছে সেই সম্পৰ্কত চৰকাৰ সচেতন। ইতিমধ্যেই দুজন আলফাৰ সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ডিব্ৰুগড়ৰ আৰক্ষী বিভাগক গটাই দিছে। আৰক্ষী বিভাগৰ স্পিচয়েল টীম ই-টাৰগেচনৰ কাৰণে পঠোৱা হৈছে। অভিযোগ খণ্ডন কৰিবৰ কাৰণে কব খুজিছো যে আলফা সম্পৰ্কত চৰকাৰ সম্পূৰ্ণ সচেতন হৈ আছে।

শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি মই এটা অতি জৰুৰী বিষয় উত্থাপন কৰিব বিচাৰিছো আৰু ইয়াৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। দৈনিক অসমত প্ৰকাশিত বাতৰিটো হ'ল 'নাগৰিকত্বৰ জাল প্ৰমাণ পত্ৰৰ পয়োভৰ'। গোটেই বাতৰিটো পঢ়ি শুনাব খোজা নাই। প্ৰথম কথা এই বাতৰিটোত লিখিছে যে মহকুমাধিপতি শ্ৰীৰঞ্জন দত্তৰ নামত জাল চহী কৰি অজস্ৰ বিদেশী লোকক নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়া হৈছে। এই কথা খিনি বিশেষ সূত্ৰৰ পৰা গম পোৱা গৈছে যে ৰঞ্জন দত্তৰ নামত ৰাবাৰ ষ্টাম্প বনাই আৰু নাগৰিকত্ব দিয়াৰ প্ৰ-পত্ৰ ছপা কৰি লৈ যি কোনো মানুহক তেওঁৰ ষ্টাম্প মাৰি নাগৰিকত্বৰ

প্ৰমাণ পত্ৰ দি আছে। এই সম্পৰ্কত এনকুৱাৰী হৈছিল কিন্তু তাৰ ৰিপোৰ্ট আগৰ চৰকাৰে গাপ দি ৰাখি দিছে। জানিব পৰা মতে নাগৰিকৰ প্ৰমাণ পত্ৰ দিয়া তেতিয়াৰ কাউন্টাৰ ফয়ল বহি আৰু নাগৰিকৰ প্ৰমাণ পত্ৰ পোৱা লোকৰ নাম পঞ্জীভুক্ত কৰা বহি বা আন নথি-পত্ৰৰ সন্ধান হেনো তদন্তকাৰী বিষয়াই কাৰ্য্যালয়ত বিচাৰি নাপালে। নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়া কাউণ্টাৰ ফয়ল নাই· তথ্য-পাতি নাই। বিশেষ মন কৰিবলগীয়া কথা যে অসম আন্দোলনৰ ভৰ পকৰ সময়ত কেছু খান্দোতে সাপ ওলোৱাৰ ভয়ত ক গ্ৰেছী চৰকাৰে সেই সম্পৰ্কীয় তদন্ত প্ৰক্ৰিয়াটোকে গাপ দি থয়। এইটো সঁচা নে মিছা তদন্ত হোৱা উচিত। কাৰণ কোনো বিষয়াই ৰিপোৰ্ট দিয়াৰ পিচত এই ৰিপোৰ্টৰ ওপৰত চৰকাৰে কাৰ্য্য ব্যৱস্থা নলৈ গাপ দি ৰখাটো নিশ্চয় দোষনীয় কাম। তাৰ পিছত নাগৰিকৰ জাল প্ৰমাণ পত্ৰৰ পয়োভৰ বৃদ্ধি পায়। ইয়াত পোৱা তথ্যমতে এতিয়া নতুনকৈ জাল চাৰ্টিফিকেট বিক্ৰি কৰা ঘাটি কিছুমান ঠাইত সক্ৰিয় হৈ আছে। দৰং জিলাৰ খৈৰাবাৰীৰ নিকটবৰ্ত্তী গাওঁ এখনৰ পৰা সদ্যহতে অসংখ্য জাল চাৰ্টিফিকেট বৰপেটা জিলালৈ সৰবৰাহ হোৱাৰ কথা একেটা সূত্ৰই জনাইছে। বৰ্ত্তমান বিদেশী সকলৰ চিনাক্তকৰণৰ যি কাম চলি আছে এই বিষয়ত আদালতত দাখিল কৰা নাগৰিকত্বৰ কোনো প্ৰমাণ পত্ৰ অস্বীকাৰ কৰিব নোৱাৰে। জাল চাৰ্টিফিকেট যদি আদালতে ডকুমেণ্ট হিচাবে দাখিল কৰে তেনেহলে সেই ডকুমেণ্ট আদালতৰ নাকচ কৰাৰ অধিকাৰ নাই বুলি কোনোবা এজন বিচাৰপতিয়ে স্বীকাৰ কৰিছে। মই এই কথাটো কব বিচাৰিছো যে যদি এই বিষয়াৰ ওপৰত চৰকাৰে তৎকালীন ভাবে ব্যৱস্থা নলয় তেনেহলে অসমৰ পৰা বিদেশী এজনো নাযাব। কাৰণ যিসকল যিদেশী বুলি সন্দেহ কৰি তেওঁলোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে সেই সকলে এনেধৰণৰ জাল নাগৰিকত্বৰ প্ৰমাণ পত্ৰ লোৱাৰ ব্যৱস্থা কৰিছে। বহু বিষয়াৰ চহীৰ ৰবৰ ষ্টাম্প বনাই লৈ জাল চহী মাৰি নাগৰিকত্বৰ প্ৰমাণ পত্ৰ হিচাবে দাখিল কৰিছে। এই গুৰুত্বপূৰ্ণ বিষয়টোত তৎকালীন ভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে যি বাতৰিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে, সেই সম্পৰ্কত কব খুজিছো যে বৰ্ত্তমান সংশোধিত হোৱা নাগৰিকত্বৰ আইন মতে প্ৰমাণ পত্ৰ দিয়ে কেন্দ্ৰীয় চৰকাৰে। আইনৰ আসোৱাহ ৰাখি যদি কোনোবাই তেনেকুৱা প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিছে বা তেনেকুৱা মিছা প্ৰমাণ পত্ৰ লৈছে তেনেহলে এইটোৰ আইনৰ ভিতৰত থাকি ব্যৱস্থা লব পৰা যায়। এই গোটেই বিষয়টো ইতিমধ্যে চৰকাৰৰ তৰফৰ পৰা পৰীক্ষা কৰি চাবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্মা : মোৰ পৰামৰ্শ হ'ল কোন কোন জিলাত কাক কিমান নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়া হৈছে তাৰ এটা ৰেডিমেড তথ্য থাকিব লাগে। য'ত য'ত বিচাৰ হয় বা আদালতত এই ৰেডিমেড তথ্য থাকিব লাগে। তেতিয়াহলে জাল চাৰ্টিফিকেটৰ লগত সেইবিলাক ৰিজাই চাই ৰিজেক্ট কৰাত সুবিধা হব। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা বিহিত ব্যৱস্থা লব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : মাননীয় সদস্যক পৰামৰ্শৰ কাৰণে ধন্যবাদ জনাইছোঁ। এই সম্পৰ্কত বিবেচনা কৰিব পৰা যাব। নিৰ্দিষ্ট অভিযোগ পালে কোনখন চাৰ্টিফিকেট জাল সেইটো আইনৰ গণ্ডিৰ ভিতৰত থাকি ব্যৱস্থা কৰিব পৰা যায়

## CALLING ATTENTION NOTICE

Mr Speaker : Now item No. 2 Shri Kusumber Taiari

শ্ৰীকুসুম্বৰ টাইৰাই গাগৈ :— অধ্যক্ষ মহোদয় ৩১ অক্টোবৰ তাৰিখে দৈনিক জনমভূমি বাতৰি কাকতত ওলোৱা "সাৰ কাৰখানা বন্ধৰ প্ৰস্তাৱ" বাতৰিটোৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰি বাতৰিটো পঢ়ি দিছো।

নামৰূপ সাৰকাৰখানা বন্ধ কৰি দিবলৈ প্ৰস্তাৱ কৰা হৈছে বুলি আমাৰ নামৰূপৰ বাতৰি দিওতাই দিয়া বাতৰিটোৱে স্বাভাবিকতে বাতৰিটোৱে ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। অৱশ্যে প্ৰকাশিত বাতৰিমতে অসমৰ এই কাৰখানাটোৱেই নহয় হিন্দুস্থান সাৰ নিগমৰ বিহাৰৰ বাৰাউনী আৰু পশ্চিমবঙ্গত দুৰ্গাপুৰৰ যি কাৰখানা আছে, সেই কেইটাও বন্ধ কৰি দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সচিব পৰ্য্যায়ৰ কমিটিয়ে পৰামৰ্শ দিছে। কেন্দ্ৰীয় বিত্ত বিভাগে এই প্ৰস্তাৱ গ্ৰহণ কৰা বুলিয়েই প্ৰকাশ। অৱশ্যে কেতিয়াৰ পঁৰা এই কাৰখানাটো বন্ধ কৰা হয় সেই কথা নিশ্চিত ভাৱে ঘোষণা কৰা হোৱা নাই।

আমাৰ নামৰূপৰ বাতৰি দিওতাৰ মতে কেন্দ্ৰীয় চৰকাৰে দিয়া এই প্ৰস্তাৱৰ মূলতে হৈছে হিন্দুস্থান সাৰ নিগমৰ এই চাৰিওটা সাৰ কাৰখানাই বিপুল পৰিমানৰ লোকচান দিয়াটো। আনহাতে সদ্যহতে নামৰূপ সাৰকাৰখানাটো বন্ধ নকৰিলেও উৎপাদিত সাৰ থবলৈ ঠাই নোহোৱাৰ বাবে নামৰূপ কাৰাখনাটো অতি সোনকালে কিছুদিনৰ বাবে হলেও কিছুদিনৰ বাবে বন্ধ কৰি দিব লগা হব পাৰে বুলিও প্ৰকাশ।

প্ৰকাশিত এই বাতৰিটোৱে ৰাইজক আচৰিত কৰি তোলাৰ কাৰণ হল যে আৰম্ভৰে পৰা যদি কাৰখানা কিটাই লোকচান ভৰিছিল. তেতিয়া হলে পঁৰিস্থিতি ইমান শোচনীয় হবলৈ নিদি সময়মতে প্ৰতিষেধক ব্যৱস্থা লোৱা নহল কিয়? প্ৰতিটো কাৰখানাৰে নিশ্চয় প্ৰতি বছৰে লাভ লোকচানৰ হিচাব লোৱা হয় সেয়ে হলে পাৰ হৈ যোৱা বছৰ বোৰত নিশ্চয় তেনে পৰিস্থিতিৰ বিষয়ে সাৰ কাৰখানাৰ কৰ্তৃপক্ষ নিশ্চয় অৱগত হৈছিল। যদিহে হৈছিল তেতিয়া হলে আগতেই সংশোধন মূলক ব্যৱস্থা সংশ্লিষ্ট কৰ্ত্তৃপক্ষই লোৱাটো অৱশ্যে কৰ্ত্তব্য আছিল। আনহাতে সকলোৱে এটা কথা জানে যে নামৰূপ সাৰ কাৰখানা সম্প্ৰসাৰণৰ বাবেহে সিদ্ধান্ত লোৱা হৈছিল, যিটো কাৰখানাই লোকচান ভৰাৰ ফলত বন্ধ কৰিব লগা পৰিস্থিতিৰ সন্মুখীন হব লগা হৈছিল, সেই কাৰখানাটোৰ সম্প্ৰসাৰণৰ আঁচনি কিয় লোৱা নহল ? আন এটা আচৰিত কথা যে নামৰূপ কাৰখানাৰ বহু পৰিমানৰ উৎপাদিত সাৰ দেশৰ বিভিন্ন ঠাইত বোলে জমা হৈ আছে। যদি পৰিস্থিতি এনে হয়, তেতিয়া হলে কেন্দ্ৰীয় চৰকাৰে বিদেশৰ পৰা সাৰ আমদানি কৰিছিল কিয় ? ই এক অবুজ সাথৰ।

অধ্যক্ষ মহোদয়. বাতৰি টো দীঘলীয়া বাবে গোটেইখিনি পঢ়ি দিয়া নহল। ভাৰতবৰ্ষৰ প্ৰয়োজনীয় সাৰৰ যথেষ্ট পৰিমানৰ চাহিদা থকা স্বত্তেও

অসমৰ এই চাৰিশ কোটি টকাৰ বৃহত আকাৰৰ সাৰ কাৰখানাটো বন্ধ কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে গ্ৰহন কৰিব বিছাৰিছে। নামৰূপৰ এই সাৰ কাৰখানাটোত চাৰি হাজাৰ কৰ্ম্মী আছে। এই সাৰ কাৰখানাটো বন্ধ কৰাৰ কথাত কৰ্ম্মচাৰী সকলৰ লগতে সকলোৰে মনত আতঙ্কৰ সৃষ্টি কৰিছে। ভাৰতৰ অনান্য সাৰ কাৰখানাৰ তুলনাত নামৰূপৰ সাৰ কাৰখানাই যথেস্ট পৰিমানৰ সাৰ উৎপাদন কৰিছে। ইতিমধ্যে নামৰূপৰ সাৰ কাৰখানাত প্ৰয়োজনীয় গুডামৰ অভাৱ হৈছে বুলি জানিব পাৰিছো। নামৰূপত তিনিটা ইউনিটৰ কাৰণে ২৭ কোটি টকাৰ সামগ্ৰী আনি পেলাই থোৱা বুলি জানিব পৰা গৈছে। আন্দোলনৰ পৰিপ্ৰেক্ষিতত এই সাৰ কাৰখানাৰ লোকচান হোৱা বুলি প্ৰতিপক্ষই দেখুৱাইছে। আচলতে ভাৰতৰ অন্যান্য সাৰ কাৰখানাৰ তুলনাত নামৰুপ সাৰ কাৰখানাৰ লোকচানৰ হাৰ কম। ভুল পৰিচালনাৰ কাৰণে এনেকুৱা এটা অৱস্থা হৈছে। গতিকে চৰকাৰে এই উদ্যোগ সমূহত একোজন চিফ এক্জিকিটিভ অফিচাৰ নিযুক্তি দি প্ৰকৃততে লোকচান হৈছে নে নাই কেনেকুৱা ধৰণৰ উৎপাদন হৈছে তাৰ দৃষ্টি ৰাখিব লাগে। অসমত বৰ্ত্তমানে থকা বৃহৎ উদ্যোগ সমূহৰ কাৰণে দৃষ্টী আকৰ্ষণ কৰিলো। এই ক্ষেত্ৰত কেনেধৰণৰৰ ব্যৱস্থা লয় তাৰ আভাষ দিব বুলি আশা কৰিলো।

শ্ৰীদীগেন চন্দ্ৰ বৰা (মন্ত্ৰী): মাননীয় সদস্য শ্ৰীকুসুম্বৰ টাইৰাইৰ গগৈৰ লগতে ৰাজ্য চৰকাৰেও প্ৰকাশিত অভিযোগ অনুসাৰে হিন্দুস্থান সাৰ নিগমৰ নামৰূপ গোটটো বন্ধ কৰিবলৈ বিচৰা প্ৰচেষ্টাত উদ্বিগ্ন। ৰাজ্য চৰকাৰেও এই বিষয়ে অবিশ্বস্ত সূত্ৰে জানিব পাৰিছে। চৰকাৰী ভাৱে কেনো সংবাদ অথবা যোগাযোগ এই বিয়য়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা নোপোৱাত উদ্যোগ বিভাগে এই বিষয়টো তৎকালে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰে। চলিত বছৰৰ নবেম্বৰ মাহতেই ১৪।১১।৮৬ তাৰিখৰ টেলেক্স বাৰ্ত্তা এম আই ২১।৮৫।৯০ ৰ জৰিয়তে (ৰাজ্য চৰকাৰৰ উদ্যোগ সচিবে কেন্দ্ৰীয় চৰকাৰৰ সাৰ ৰাসায়ন দপ্তৰৰ যুটীয়া সচিব আৰু হিন্দুস্থান সাৰ নিগমৰ পৰিচালক সঞ্চালকক কেন্দ্ৰীয় চৰকাৰৰ স্থিতি সম্বন্ধে এই বিষয়ে ৰাজ্য চৰকাৰক তৎকালে অবগত কৰিবলৈ জনোৱা হয়। উক্ত টেলেক্স বাৰ্ত্তাটোত কোৱা হয় যে যদিহে নামৰূপ সাৰ কাৰখানাৰ ১।২ নং গোট বন্ধ কৰা হয় তেন্তে ৰাজ্যিক চৰকাৰী ৰাজহুৱা খণ্ডৰ অসম পেট্ৰোকেমিকেল উদ্যোগ অনুস্থানটোৱে কাৰ্বন ডাঅক্সাইদৰ যোগান নাপাব আৰু তেতিয়া হলে ৰাজ্য চৰকাৰে অসম পেট্ৰোকেমিকেলৰ মেথানৰ গোটটো অগত্যা বন্ধ কৰি দিব লাগিব। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰক ইয়াকো জনাই দিয়া হৈছে যে ইয়াৰ দ্বাৰাই ৰাজ্য চৰকাৰৰ সম্পদৰ অশেষ ক্ষতি হোৱাৰ লগতে অধিক হাৰত নিবনুৱা সমস্যা বৃদ্ধি হব আৰু সমগ্ৰ দেশখনৰ লগত এই ৰাজ্যৰ জটিল নিবনুৱা সমস্যা অধিক বৃদ্ধি পাব। কেন্দ্ৰীয় চৰকাৰক ইয়াকো জনোৱা হৈছে যে হিন্দুস্থান সাৰ কাৰখানা আৰু অসম পেট্ৰোকেমিকেল উদ্যোগৰ কৰ্মচাৰী বৃন্দৰ মনতেই অকল নহয়, আনকি স্থানীয় লোকৰ মনতো উক্ত হিন্দুস্থান সাৰ কাৰখানাৰ নামৰূপ গোটটো বন্ধ কৰাৰ প্ৰচেষ্টাত গুৰুতৰ আশংকাই ঠাই পাইছে। কেন্দ্ৰীয় চৰকাৰক ইয়াকো জনোৱা হৈছে যে উল্লেখিত প্ৰচেষ্টাত ৰাজ্যখনত গুৰুতৰ আইন শৃংখলাৰ

ইয়াৰ পিচত মই ওপৰত উল্লেখিত সকলো সমস্যা বিষয়ে মাননীয় কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত ৫।১২।৮৬ তাৰিখৰ টেলেক্স বাৰ্ত্তা এম. আই ২।৮৫।০০ জৰিয়তে উত্থাপন কৰো। উক্ত টেলেকস বাৰ্ত্তাটোত মই কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ কৰিছিলো যে হিন্দুস্থান সাৰ কাৰখানাৰ নামৰূপ গোটটো বন্ধ কৰাৰ কোনো প্ৰচেষ্টা হব নেলাগে আৰু ৰাজ্য চৰকাৰক এই বিষয়ে অৱগত কৰা উচিত।

যিহেতু কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো সমিধান ইতিমধ্যে নোপোৱাত ৯।১২।৮৬ তাৰিখৰ টেলেকস বাৰ্ত্তা এম. আই ২১।৮৫।০১ জৰিয়তে সোঁৱৰাই দিয়া হয়। উল্লেখিত বিষয়টো মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ২৯।১১।৮৬ তাৰিখে নতুন দিল্লীত মাননীয় প্ৰধান মন্ত্ৰীৰ ওচৰত দাখিল কৰা "Memorandum" ৰ জৰিয়তেও উত্থাপন কৰা হৈছে। তাত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই প্ৰধান মন্ত্ৰীক জনাই যে তেখেতে যেন হিন্দুস্থান সাৰকাৰখানাৰ নামৰূপ গোটটো বন্ধ নকৰিবৰ কাৰণে নিৰ্দ্দেশনা দিয়ে। যিহেতু উক্ত বন্ধ কাৰ্যই ৰাজ্যিক চৰকাৰী খণ্ডৰ অসম গেচ কোং অসম পেট্ৰোন কেমিকেল লিমিটেড অনুষ্ঠান দুটা চলি থকাত পোনপটীয়াকৈ ব্যাঘাত হোৱাৰ উপৰিও আইন শৃংখলাৰ পৰিস্থিতি আদি সৃষ্টি কৰিব। ৰাজ্য চৰকাৰে "নামৰূপ সাৰ কাৰখানা" গোট দুটা বন্ধ নকৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক ইতিমধ্যে অনুৰোধ কৰিছে।

এতেকে ৰাজ্য চৰকাৰে অনুভৱ কৰে যে কেন্দ্ৰীয় চৰকাৰে এই ৰাজ্যৰ বৰ্ত্তমান নিম্ন পৰ্যায়ৰ উদ্যোগীকৰণ পৰিস্থিতি, চলি থকা জটিল নিবনুৱাৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্ত্তমান এই ৰাজ্যত অৱস্থিত কেন্দ্ৰীয় চৰকাৰী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহক কাৰ্যক্ষম কৰাৰ উপৰিও অধিক কেন্দ্ৰীয় চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান স্থাপন কৰাহে উচিত। যিহেতু এই ৰাজ্যত অতি কম সংখ্যক কেন্দ্ৰীয় চৰকাৰী ৰাজহুৱা প্ৰতিষ্ঠানহে অৱস্থিত।

উল্লেখিত প্ৰকাশিত কাৰখানা বন্ধৰ প্ৰচেষ্টা সম্পৰ্কে চৰকাৰী ভাবে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আৱশ্যক হলে পুনৰ উত্থাপন কৰা হব।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : অধ্যক্ষ মহোদয়, মই এটা পৰামৰ্শ দাঙি ধৰিব বিচাৰিছো যে অসম গণ পৰিষদ চৰকাৰ অহাৰ লগে লগে বৃহত আকাৰৰ উদ্যোগ সমূহে ভুল পৰিচলনা কৰি ব্যাঘাত কৰাবৰ চেষ্টা কেন্দ্ৰীয় চৰকাৰে কৰিছে। গতিকে অসম চৰকাৰে পৰ্য্যালোচনা কৰি গোটেই বিলাক কথা জ্ঞাত হবৰ কাৰণে বিষয়া নিযুক্ত কৰাৰ কথাটো বিবেচনা কৰিলে ভাল হয় বুলি ভাবো।

শ্ৰীদীগেন বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয় বিধায়কৰ পৰামৰ্শটো বিবেচনা কৰিব পৰা হব।

শ্ৰীকুল বাহাদুৰ চেত্ৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই সাৰ কাৰখানাটো যাতে বন্ধ নহয় তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত চেষ্টা চলোৱা হৈছে। নামৰূপৰ এই সাৰ কাৰখানাটো অসমৰ এটা ডাঙৰ উদ্যোগ। এইটো যাতে বন্ধ নহয় তাৰ বিহিত ব্যৱস্থাৰ কাৰণে অতি শীঘ্ৰে চিন্তা কৰিছে নেকি?

শ্ৰীদীগেন বৰা (মন্ত্ৰী) ঃ গুৰুত্ব পূৰ্ণ বিষয়টো চৰকাৰৰ তৰফৰ পৰা আৰু সকলো ৰাজনৈতিক দলৰ পৰা কেন্দ্ৰীয় চৰকাৰক হেচা দিলে নিশ্চয় সফল কাম হব।

শ্ৰীজয় নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মই যোৱা ২৭ নবেম্বৰত দৈনিক অসম বাতৰি কাকতত ওলোৱা এটা সৰু বাতৰিৰ প্ৰতি দৃষ্টি গোচৰ কৰিব বিচাৰিছো। বাতৰিটো হ'ল "যোৱা পাচ মাহত ৬০ টা গড় নিধন। নিজা বাতৰি দিওঁতা গোলাঘাট"। এই বাতৰি টোৰ প্ৰধান্য হৈছে এইটোৱেই যে এই বাতৰিটোৰ আখৰ কেইটা আন বিলাকতকৈ ডাঙৰ। বৰ্ত্তমান বিধান সভাত এই বিষয়টো লৈ দীঘলীয়া আলোচনা হৈছে। মই ৩০১ ধাৰাত এই বিষয়টো উত্থাপন কৰিছো যে, গড় মৰি আছে অথচ এজন ডি, এফ ও আৰু •ৰেঞ্জাৰ বৰ্খাস্ত হোৱা নাই। বন ৰক্ষকে নিজৰ দায়ীত্ব পালন নকৰিলে চৰকাৰ জপিয়াই পৰিব লাগিব। যদি জপিয়াই নপৰে তেনেহলে কাজিৰঙাত গড় নিঃশেষ হৈ যাব। ৰক্ষণাবেক্ষণ যি সকলৰ ওপৰত দিছে সেই সকলে যদি নিজৰ দায়ীত্ব ৰক্ষা নকৰে তেতিয়া হলে গড় মাৰিয়ে থাকিব। মই এই সম্পৰ্কে অন্য এটা পৰামৰ্শ দিব বিছাৰিছো।

## MATTER UNDER RULE 301

মাননীয় অধ্যক্ষ ঃ এতিয়া আইটেম নং ৩

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— (ক্ৰমশঃ) অধ্যক্ষ মহোদয়, মই এই সম্পৰ্কত অন্য এটা পৰামৰ্শ দিব বিচাৰিছো। গড় কি কাৰণে মৰে ? গড় চিকাৰীয়ে মাৰিবলৈ কি কাৰণে পায় ? ইয়াৰ কাৰণটো চাব লাগে। আজি আমাৰ মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে দীঘলীয়া বক্তৃতা দিছে। আগৰ বিধান সভাৰ প্ৰচিদিংচতো পাইছো। কিন্তু আজিলৈকে কোনেও গড় নিধন কৰাৰ বা চোৰাং চিকাৰীক শাস্তি দিয়াৰ ব্যৱস্থা লব পৰা নাই। দৈনিক অসমত এনেধৰণৰ বাতৰি আমি কোনো দিনে পোৱা নাই যে, গড় মৰাৰ বাবে ১ বছৰ বা ৬ মাহ জেইল হৈছে বুলি। ইয়াৰ কাৰণ কি ? এই বিষয়টো পৰ্য্যাবেক্ষন কৰি ব্যৱস্থা গ্ৰহন কৰিব লাগে। আজি মন্ত্ৰী মহোদয়ে কৈছে যে, বনবিলাক ৰিজাৰ্ভ বিলাক বে-দখল কৰিছে। এতিয়া চাব লাগে যে অন্ততঃ আজিৰ পৰা ১ ইঞ্চি মাটিও বে-দখল যাতে হব নোৱাৰে। যোৱা ৩৮ বছৰে কি হল নহল সেই বিষয়ে চিন্তা বা আলোচনা কৰি লাভ নাই আজিৰ পৰা যাতে বে দখল হব নোৱাৰে তাৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে। আমাৰ চোৰাং চিকাৰী বিলাকে বন্দুক লৈ আহে আমাৰ ফৰেষ্ট গাৰ্ড বিলাকে লাঠি লৈ যায়। কোনো কোনো চিকাৰীয়ে ষ্টেনগান লৈ আহে। গতিকে 'চুট এট চাইট' কৰিব লাগে। ইয়াৰ কাৰণে প্ৰয়োজনীয় ক্ষমতা দিব লাগে। কাৰণ তেওঁলোককো দায়িত্ব পালন কৰিবলৈ সম্পূৰ্ণ ক্ষমতাৰ প্ৰয়োজন। চোৰাং চিকাৰী আহিলে তেওঁলোকক আক্ৰমণ কৰাৰ বাবে, অৰ্ডাৰ পাবৰ বাবে দি. এফ, অ, অফিচলৈ অহাৰ প্ৰয়োজন নাই। বিধান সভাত যিবিলাক কথা কোৱা হয় সেইবিলাক বাস্তবত ৰূপায়িত কৰিবলৈ লব লাগে আৰু অফিচাৰ সকলক দায়িত্ব দিব লাগে। যি অফিচাৰৰ এৰিয়াত গড় নিধন হব সেই অফিচাৰক অনতিপলমে চাচপেন্দ কৰিব লাগে। বিষয়া

সকলক অধিক ক্ষমতা দিব লাগে আৰু যাতে ক্ষমতাৰ অপব্যৱহাৰ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। মন্ত্ৰী মহোদয়ে কৈছে যে চোৰাং চিকাৰীৰ লগত আমাৰ বিষয়াও জৰিত আছে বুলি সন্দেহ প্ৰকাশ কৰিছে। আশা কৰিছো সেই সন্দেহ যাতে সঁচা নহয়। মই আশা কৰো এই বিষয়টো যাতে এই বিধান সভাত আমি পুনৰ আলোচনা কৰিবলৈ নাপাও। তাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহন কৰিব লাগে।

শ্ৰীভৰত নৰহ (মন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয় ইংৰাজী ২৭।১১।৮৬ তাৰিখে দৈনিক অসমত প্ৰকাশিত "যোৱা পাচ মাহত ৬০ টা গড় নিধন" শীৰ্ষক বাতৰিটো সম্পূৰ্ণ ভিত্তীহীন আৰু সত্যৰ ওপঁৰত প্ৰতিস্থিত নহয়। বাতৰিটো পৰিবেশন কৰিছে গোলাঘাটৰ নিজা বাতৰি দিওঁতাই আৰু তাত উল্লেখ কৰা মতে তেওঁ তথ্য সংগ্ৰহ কৰিছে সমীপৱৰ্ত্তী লোকৰ পৰা।

প্ৰকৃততে যোৱা ৫ টা মাহত অৰ্থাৎ ১৯৮৬ চনৰ জুন মাহৰ পৰা অক্তোবৰ মাহলৈ চোৰাং চিকাৰীয়ে কাজিৰঙালৈ ৰাষ্ট্ৰিয় উদ্যানত আৰু তাৰ আশে পাশে নিধন কৰা গড়ৰ সৰ্ব্বমূঠ সংখ্যা হ'ল ১৫ টা। ইয়াৰে ৩ টা গড় কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাহিৰা অঞ্চলত। প্ৰকৃতাৰ্থত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত মৰা গড়ৰ সংখ্যা ১২ টাহে। মাহ ভিত্তিত চোৰাং চিকাৰীয়ে নিধন কৰা গড়ৰ সংখ্যা এনেধৰণৰ:

| মাম | উদ্যানৰ ভিতৰত | উদ্যানৰ বাহিৰত |
|---|---|---|
| ১। জুন'৮৬ | ১ টা | নাই |
| ২ জুলাই ৮৬ | ৪ টা | ১ টা |
| ৩। আগষ্ট'৮৬ | নাই | নাই |
| ৪। চেপ্তেম্বৰ'৮৬ | ১ টা | ২ টা |
| ৫। অক্তোবৰ'৮৬ | ৬ টা | নাই |
| | ১২ টা | ৩ টা |

(জুন ১৯৮৫ ৰ পৰা অক্তোবৰ ১৯৮৫ লৈ) যোৱা বছৰ এই একে সময় ছোৱাৰ ভিতৰত মুঠ ১৪ টা গড় চোৰাং চিকাৰীয়ে নিধন কৰিছিল, তাৰে এটা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত। বিভাগীয় কৰ্মচাৰীৰ তৎপৰতাত এই চোৰাং চিকাৰীয়ে নিধন কৰা গড় কেইটাৰ ১৯৮৫ চনত ৪ টা আৰু ১৯৮৬ চনত ৩ খড়গ উদ্ধাৰ কৰা হৈছে।

চোৰাং চিকাৰীৰ হাতত নিধন হোৱা পৃথিৱী বিখ্যাত এশিঙিয়া গড়ৰ হিচাব বন বিভাগে যথেষ্ট গুৰুত্বসহকাৰে ৰাখে। ৰাষ্ট্ৰিয় উদ্যানেই হওক বা অন্যান্য বনাঞ্চলতেই হওক ক'ত কেতিয়া কোনে গড় নিধন কৰিলে কিমানটা নিধন কৰিলে, নিধন হোৱা গড়ৰ বিবৰণ সহ কি পদ্ধতিৰে গড় নিধন কৰা হ'ল আদি সবিশেষ পঞ্জীভুক্ত কৰি উৰ্দ্ধতন কৰ্ত্তৃপক্ষলৈ যিমানদূৰ সম্ভৱ শীঘ্ৰে খবৰ পঠোৱাৰ ধৰাবন্ধা নিয়ম আছে।

চোৰাং চিকাৰীক প্ৰত্যাহবান জনাবৰ বাবে বিভাগীয় ব্যৱস্থাৱলীৰ ভিতৰত বিভাগীয় সশস্ত্ৰ কৰ্মচাৰী প্ৰহৰী দলৰ উপৰিও গৃহৰক্ষী বাহিনী নিয়োগ, নৈৰে চোৰাং চিকাৰীক প্ৰতিৰোধ কৰিবলৈ যন্ত্ৰচালিত নাওৰে, হাতীৰ জৰিয়তে পহৰাৰ ব্যৱস্থা, চিকাৰীক আগতীয়াকৈ বা যথা সময়ত প্ৰতিৰোধ কৰিবলৈ

দ্ৰুতগতিত পহৰাদাৰী দল আৰু চকীবোৰক সতৰ্ক কৰি দিবলৈ বেতাঁৰ যন্ত্ৰ (Wireless Talks) ব্যৱহাৰ আদি কৰা উল্লেখনীয়। ইয়াৰ উপৰিও চোৰাং চিকাৰীৰ পৰা এই পৃথিৱীবিখ্যাত এশিঙিয়া গঁড়ক ৰক্ষণাবেক্ষণ দিয়াৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা যোগ কৰি এক বিশেষ আঁচনি যুগুত কৰা হৈছে। আৰু এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ পৰা (সপ্তম পৰিকল্পনাৰ অন্তৰ্গত) ৫ কোটি টকাৰ বিত্তীয় মঞ্জুৰীৰ আশ্বাস পোৱা গৈছে। আৰু তাৰে ভিতৰত ৪০ লাখ টকা বৰ্ত্তমান বিত্তীয় বছৰৰ বাবে ধাৰ্য্য কৰা হৈছে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যিবিলাক কথা কৈছে আৰু যিবিলাক পৰামৰ্শ দিছে সেইবিলাক গ্ৰহণ কৰিবলৈ বিবেচনা কৰা হব। কিন্তু আমি বিধান সভাত মিছা কথা কব নোৱাৰো, হয়তো কলে আপোনালোকৰ পৰা হাতচাপৰি পাব পাৰো আৰু মোৰ নাম বাতৰি কাকতত ওলাব। গতিকে কৰিব নোৱাৰা কামৰ কথা কৈ মই জনপ্ৰিয় হবলৈ বিচৰা নাই। মাননীয় সদস্যই কৰ্ম্মচাৰী চাচপেন্দ কৰাৰ কথাও উল্লেখ কৰিছে। তেখেতে কৈছে যে, এটা গঁড় নিধন হলে এজন কৰ্ম্মচাৰীক চাচপেন্দ কৰিব লাগে।

যদি আমি এইটো কৰিলোহেঁতেন তেন্তে ১৯৮৫-৮৬ চনত ১৬৩টা গঁড় মৰিছে আৰু ৰাষ্ট্ৰীয় উদ্যানত চাকৰি কৰা লোকৰ সংখ্যা হল ১৫৫ জন, এই ১৫৫ জনকে চাকৰিৰ পৰা খেদাব লগা হলহেঁতেন।

(সদনত হাঁহিৰ ৰোল)

এতিয়া সচাঁ কথা কলে আপোনালোকে হাহেঁ আৰু মাননীয় সদস্য এজনে কৈছে যে ভৰতনৰহে হহুঁৱাই কথা কয় ভাল লগাবলৈ বুলি। আপোনালোকে হাঁহক বুলি মই এই কথা কোৱা নাই, হাতীয়ে মদ খোৱাৰ কথা কওঁতে আপোনালোকে হাহিঁ দিলে। আংশিক ভাবে হলেও একো প্ৰমাণ নাপালে আমি এই ১৫৫ জনৰ চাকৰি ঘপককৈ শেষ কৰিব নোৱাৰোঁ। মাননীয় সদস্যজনে আৰু এটা কথা কৈছে চোৰাং চিকাৰীক শাস্তি দিয়া নাই, এইটো সচাঁ কথা হলেও কথা হল যে শাস্তি কোনে দিব? বনবিভাগে চোৰাং চিকাৰীক ধৰিব আৰু তাৰ পিচত জখলাবন্ধা বা বোকাখাটত চমজাই দিব আৰু তেওঁলোকে নগাৱঁলৈ আৰু যোৰহাটলৈ পঠাব। পিচত নগাওঁ আৰু যোৰহাট কৰ্টে ৰিলিজ দিব। এজন চোৰাং চিকাৰীও লক আপত থাকিব লগা হোৱা নাই, জেল খাব লগা হোৱা নাই এইটো সচাঁ কথা আৰু ময়ো এই কথাৰ লগত একমত। কিন্তু তাৰ কাৰণে বন বিভাগক দোষী সাব্যস্ত কৰিলে নহব। এইটো মোৰ শক্তিৰ বাহিৰত। এতিয়া কোৱা হৈছে যে দেখা মাত্ৰেই গুলি কৰিব লাগে এইটো হলে ময়ো ভালেই পাম। এইটো হলে পৃথিবীৰ সকলো মানুহতকৈ ময়ে বেচি ভাল পাম আৰু সুখী হম। এনে ক্ষমতাৰ বাবে মই অনুসন্ধান কৰি আছোঁ। কিন্তু এতিয়া গুলিয়াব পৰা ক্ষমতা মোৰ নাই, চোৰাং চিকাৰী মই খেদাব পাৰোঁ। চোৰাং চিকাৰীয়ে ষ্টেনগান আনে। নগালেণ্ড মণিপুৰ নেপাল আদিৰ পৰা তেওঁ-লোক আহে। অথচ আমাৰ হাতত অৰ্থাত বন বিভাগৰ হাতত যিবিলাক বন্দুক আছে সেইবিলাকৰ গুলি নুফুটে। ইয়াৰ মাজতে শইকীয়া বুলি এজন বেঞ্জাৰে নিজৰ প্ৰাণ ৰক্ষাৰ কাৰণে চোৰাং চিকাৰী গুলিওৱা কাৰণে তেওঁৰ

বিৰুদ্ধে ১৫ টা হত্যাৰ কেচ আছে। তেওঁ প্ৰথমেই আদালতত উপস্থিত থাকিবলগীয়া হয় এই কাৰণে গুলিওৱাৰ ক্ষমতা পালে মই বৰ ভাল পাম। আমাৰ হাতত আধুনিক অস্ত্ৰ-শস্ত্ৰ নাই. নগাওঁৰ এচ পিয়ে ১২ জন হ'ম গাৰ্ড দিছে যোৰহাটৰ এচ পিয়ে ১২ টা হমগাৰ্ড দিছে। দুয়ো জিলাৰ এচপিয়ে ৰাইফলো দিছে। তেওঁলোকে আকৌ আমালৈ চিঠি লিখিছে যে সেইবোৰ ঘূৰাই দিব লাগে। এনেকুৱা আমাৰ অৱস্থা। ইয়াৰ কাৰণে ডি এফ অ' বা ডিৰেক্টৰ বা বন মন্ত্ৰীক আমি দোষ দিম নে? মই আগতেই কৈছোঁ যে আমাৰ ইনএদেকুৱেইট মেচিনাৰী। ইয়াৰ দ্বাৰা চোৰাং চিকাৰীক প্ৰত্যাহ্বান জনাব নোৱাৰো।

অসম বন সুৰক্ষা বাহিনীৰ ১২২ জন লোকক আমি ট্ৰেইনিং দিয়াইছোঁ, ট্ৰেইনিং শেষ হলেও আমি তেওঁলোকক কামত লগাব পৰা নাই। কাৰণ ৰাজ্যপাল আৰু ৰাষ্ট্ৰপতিয়ে অনুমোদন জনোৱা নাই। এনেকুৱা এটা অৱস্থা বাহাল থকাটো মই নিজেই এজন বন মন্ত্ৰী হিচাপে নিবিচাৰো আৰু এনেকুৱা অৱস্থাৰ বাবে লাজ পাইছোঁ। এই ক্ষেত্ৰত আপোনালোকে যিমান উদ্বেগ প্ৰকাশ কৰিছে মই নিজেও সিমানেই উদ্বেগ প্ৰকাশ কৰিছোঁ।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বঢ়োৱাৰ কাৰণে চৰকাৰক Proposal দিছো আৰু তাৰ কাৰণে আপাৰ আসাম কমিচনাৰক দায়িত্ব দিয়া হৈছে। তেখেতে জৰীপ চলাই আছে। তেতিয়া চোৰাং চিকাৰীক কৰায়ত্ব কৰাত অসুবিধা নহয়। কেন্দ্ৰীয় চৰকাৰে ৭ম পৰিকল্পনাত ৫ কোটি টকা দিম বুলি কৈছে, তাৰে ৪০ লাখ টকা কেইদিনমানৰ ভিতৰতে দিম বুলি কৈছে; এই টকাৰে আধুনিক অস্ত্ৰ-শস্ত্ৰ আৰু যন্ত্ৰ চালিত নৌকা কিনা হব।

অধ্যক্ষ মহোদয়, মই চোৰাং চিকাৰীক মোকামিলা কৰিম বুলি ভাবিছোঁ।। যদি চোৰাং চিকাৰীক বাধা দিব নোৱাৰো তেন্তে কিৰা এটা কৰিম, এতিয়া নকওঁ।

(সদনত হাহিঁৰ ৰোল উঠে আৰু কবই লাগিব বুলি কয়) মই আপোনালোকক প্ৰতিশ্ৰুতি দিছোঁ। অহা ৬ মাহৰ ভিতৰত চোৰাং চিকাৰীৰ সংখ্যা কমাবলৈ মই সকলো শক্তি প্ৰয়োগ কৰিবলৈ চেষ্টা চলাম আৰু যদি মই নোৱাৰো মই কি কৰোঁ আপোনালোকে পিচত গম পাব। গড় হত্যাৰ

লগত জড়িত বন বিভাগৰ কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু শাস্তি দিয়া হৈছে। আৰু সন্দেহজনক কৰ্মচাৰী সকলৰ ওপৰত চকু ৰখা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা :— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথাৰ স্পষ্টিকৰণ বিছাৰিছো তেখেতে এই বাতৰিটো ভিত্তিহীন বুলি কৈছে। আওপকীয়াকৈ বাতৰিটো এডমিটও কৰিছে কাৰণ ৬০ টা বুলি কৈছে। কিন্তু তেখেতে কথাটো লিগেল টাৰ্মচত চোৱা নাই। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ চোৰাং চিকাৰী ধৰা বৰ টান কাৰণ তাত বিষয়া সকলে ফাকি দিয়ে, এন্ত্ৰি দিয়াতে ভুলকৈ দিয়ে। গুলিয়াগুলিৰ শব্দ দিলেও বন্দুক নাছিল বা নাই পোৱা বুলি এন্ত্ৰি দিয়ে। বিষয়া সকলৰ চোৰাং চিকাৰীৰ লগত গোপন সম্পৰ্ক আছে। মই ব্যক্তিগতভাৱে এই কথাত হয়ভৰ দিব নোৱাৰো কাৰণ দোষীক শাস্তি দিবই লাগিব With an entry sir, you verify the entries filed by various Forest Officers to the police station. গতিকে মন্ত্ৰীয়ে কেনেকৈ চোৰাং চিকাৰীৰ লগত মোকাবিলা কৰিব, তেওঁলোকক ধৰা পেলাব লাগিব বিষয়া সকলে তেওঁলোকে এন্ত্ৰি দিয়োতে ভালকৈ দিলেহে ধৰা পৰিব তাৰ কাৰণে দোষী বিষয়াক শাস্তি দিব লাগিব।

শ্ৰীভৰত চন্দ্ৰ নৰহ বন মন্ত্ৰী) : বিষয়া কৰ্ম্মচাৰী সকলক শাস্তি নাই দিয়া বুলি কলে ভুল হব। মই বন বিভাগৰ দায়িত্ব লোৱাৰ পাছত কেবাজনকো শাস্তি দিছো ২৩ জন ফৰেস্ট গাৰ্ড ৰেঞ্জাৰ গানমেন পলাইছিল তেওঁলোকক পুলিচে এৰেষ্ট কৰিছে আৰু তেওঁলোকক নিলম্বিত কৰা হৈছে। যিবিলাক সন্দেহ কৰা হৈছে তেওঁলোকৰ ওপৰত চকু ৰখা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা :— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো কাজিৰঙাৰ কাৰণে মন্ত্ৰী মহোদয়ে যে কেন্দ্ৰীয় চৰকাৰৰ ৫ কোটি টকা দিছে তাত তেওঁলোকে কিবা চৰ্ত্ত আৰোপ কৰিছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন মন্ত্ৰী) :– অধ্যক্ষ মহোদয়, অকল কাজিৰঙা বুলি নহয় গোটেই অসমত এশিঙিয়া আপুৰুগীয়া গড় ৰক্ষাৰ কাৰণে ৫ কোটি টকা দিছে তাত কোনো চৰ্ত্ত আৰোপ কৰা নাই।

শ্ৰীসুৰেন মেধি (আইন মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ দিব খুজিছো আমাৰ বন মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়োতে যোৰহাট নগাওঁ

আদি কোৰ্টত দোষীক প্ৰদিউচ কৰাৰ পাছত 'ৰিলিজ' বাংলাদেশী বুলি সীমা বাৰে বাৰে কৈছে। আচলতে কেচটো মেক আউট বাংলাদেশৰ পুলিচে ৰিলিজ হবই। যিবিলাক এনট্ৰি দিয়ে সেইবিলাকত যদি বন্দুক বালিতে পৰি নাথাকে বা কেচটো ভালকৈ মেক আউট কৰিব নোৱাৰে তেনেহলে আন্তৰ্জাতিক প্ৰমাণ অভাবত ৰিলিজ দিবই। কোৰ্টে ৰিলিজ কৰা শব্দটো এনে বাংলা- বাৰে বাৰে কৈছে যেন জুদিচিয়েল অফিচাৰে কিবা টকা পইছা লৈহে ৰিলিজ কৰিছে। আচলতে এনেকৈ কলে জুদিচিয়াৰীৰ ওপৰত অভিযোগ অনা হয় আৰু জুদিচিয়াৰীৰ ওপৰত এনেকৈ অভিযোগ আনিলে জুদিচিয়াৰীৰ ওপৰত ৰাইজৰ আস্থা নাথাকিব।

মাননীয় অধ্যক্ষ :- মন্ত্ৰী মহোদয়ে তেনে অভিযোগ অনা নাই। তেখেতে এট্ৰিত বেছি গুৰুত্ব দিছে আচলতে এট্ৰি যাতে ভাল হয় আদালতে যাতে ভাল ৰেকৰ্ড পায় তাৰ কাৰণে মন্ত্ৰীয়ে বিশেষ চকু ৰাখিব লাগিব।

## Leave of Absence

মাননীয়া সদস্যা শ্ৰীমতী ৰবিদাসে বাহিৰলৈ চিকিৎসাৰ কাৰণে যোৱাৰ কাৰণে তেখেতে এমাহৰ কাৰণে ছুটী বিছাৰিছে। বোধহয় ইয়াত সদনৰ নিশ্চয় সন্মত আছে।

## PRIVATE MEMBERS PENDING RESOLUTION

মাননীয় অধ্যক্ষ :- এতিয়া আইটেম নং ৪

Hon Speaker left the chamber and Hon. Deputy Speaker took the Chair.

শ্ৰীমুক্তাৰ হুচেইন :- মাননীয় অধ্যক্ষ মহোদয় অসম আন্দোলনৰ মূল উদ্দেশ্য আছিল বিদেশী বিতাড়ন আৰু সেই কাৰণেই এই অসম চুক্তি সম্পাদন কৰা হৈছিল। সেই কাৰণেই আমাৰ মাননীয় সদস্য ডাঃ কমলা কলিতাই এই প্ৰস্তাৱ সদনত দাঙি ধৰিছে। এই প্ৰস্তাৱৰ সংক্ৰান্তত অসম চুক্তিৰ ৫ নং ধাৰাৰ ৯ নং উপধাৰাত এই বুলি সন্নিবিষ্ট আছে। 'ইংৰাজীত) গতিকে এনে অৱস্থাত এই প্ৰস্তাৱ আহিব নালাগিছিল। এই প্ৰস্তাৱ আনিছে বিদেশী

খেদাৰ কাৰণে বা বছাৰ কাৰণে। আৰু এই বিদেশী সমস্যাৰ কাৰণেই পুনৰ ৮ ডিচেম্বৰ তাৰিখে শাসনত থকা অসম গণ পৰিষদে ইল্লিগেল মাই-গ্ৰেছন এক্ত সংশোধন কৰাৰ কাৰণে আকৌ অসম বন্ধ পালন কৰিবলগীয়া হৈছে। মূল প্ৰশ্নটো হৈছে অসম চুক্তি ৰছনা কৰা সময়তে এই কথাটো আহিব লাগিছিল। তেতিয়াই ইয়াক সন্নিবিষ্ট কৰা হলে আজি আকৌ অসম বন্ধ বা বিধান সভাত প্ৰস্তাৱ আনিব নালাগিলহেঁতেন। এই চুক্তি ৰূপায়ন কৰোতে আমাৰ আজিৰ মুখ্যমন্ত্ৰী সেই সময়ত ছাত্ৰ সন্থাৰ সভাপতি আছিল আৰু তেখেতৰ স্বাক্ষৰতে এই চুক্তি সম্পাদন কৰা হৈছে। তেতিয়াও তেখেত সকলে এই মাইগ্ৰেচন দিটাৰমিনেচন এক্ট কথা জানিছিল, তেতিয়াই কিয় এই প্ৰশ্নৰ অৱতাৰনা নহ'ল। অসম চুক্তি সম্পাদন কৰি আজি যদি সেই চুক্তিৰ বাস্তৱ দৃষ্টিভঙ্গীলৈ চাই অসমত ৪৫ লাখ বিদেশী আছে বুলি চিঞৰি চিঞৰীয়ে শাসকীয় দলটোৱে আজি বিধান সভাত গাদী দখল কৰিলে কিন্তু আজিলৈকে মাত্ৰ ৩০০ জন বিদেশীকহে ধৰা পেলাব পাৰিছে। গতিকে দেখা যায় ততাতৈয়াকৈ কৰা চুক্তি এতিয়া বাস্তৱত কাৰ্য্যকৰী কৰা অসম্ভৱ হৈ উঠিছে।

উপাধ্যক্ষ মহোদয়, এই বিধান সভাতে মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্ম্মা দেৱে এটা প্ৰশ্ন তুলিছিল, ময়ো সেই কথা স্বীকাৰ কৰো যে বিদেশী বুলি যি বিলাক মানুহক ঘূৰাই পঠোৱা হৈছে সেই মানুহবিলাক আকৌ ঘূৰি আহিছে। অসম চুক্তি মতে ইল্লিগেল মাইগ্ৰেণ্ট এক্ট সংশোধন কৰি বিদেশী বুলি যদি কেইবালাখো মানুহক আজি পঠিয়াই দিয়া হয় তেন্তে তেওঁলোক আকৌ ঘূৰি আহিব। বিদেশীৰ সমস্যাটো এটা প্ৰাদেশিক সমস্যা নহয় এইটো এটা আন্তৰ্জাতিক সমস্যা। ইয়াক সমাধান কৰিবলৈ আন্তৰ্জাতিক পৰ্য্যায়ত আলোচনা বিলোচনা আদি কৰিব লাগিব। অসম চুক্তি কৰাৰ সময়ত হয়তো চুক্তি কৰা সকলে ভাবিছিল যে অসমৰ সীমা পাৰ কৰি দিলেই বিদেশী বিলাক গুচি যাব। কিন্তু বিদেশৰো সীমান্ত অঞ্চলত তেওঁলোকৰ নিজা সৈন্য বাহিনী আছে। সেই সৈন্য বাহিনীবোৰ নিশ্চয় শক্তিশালী, সেয়ে কোনোবা মানুহ সীমা পাৰ হৈ সোমাবলৈ গলে নিশ্চয় তেওঁলোকে বাধা দিব। সেই কাৰণেই হয়তো আজি আমি বিদেশী বুলি পঠিয়াই দিয়া মানুহ

খিনি আকৌ ঘূৰি আহিছে। আমি যি খিনি মাণুহ বাংলাদেশী বুলি সীমা পাৰ কৰি পঠিয়াই দিছো, সেই মানুহ বিলাকৰ ওপৰত বাংলাদেশৰ পুলিচে গুলী চলাইছে. দুই তিনিদিন নোখোৱা নোবোৱাকৈ মানুহ বালিতে পৰি আছে কিন্তু আকৌ ইয়ালৈকে ঘূৰি আহিছে। সেয়ে মই কৈছো আন্তর্জাতিক ভাৱে ইয়াক আলোচনা আদি কৰি সমস্যা সমাধান কৰিব লাগিব। বাংলাদেশী বুলি যি খিনি মানুহক ভবা হৈছে তেওঁলোকক বাংলাদেশ চৰকাৰৰ হাতত গতাই দিব লাগিব। এই কথাটো চুক্তি কৰাৰ সময়ত হয়তো ভবা হোৱা নাছিল। সেয়ে মই কৈছো এই চুক্তিখন 'ভেগ্'। গতিকে ইয়াক বাতিল কৰি নতুন চুক্তি কৰিব লাগিব। বাস্তব সন্মতভাৱে সমস্যা সমাধান হোৱাকৈ চুক্তি কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, কেন্দ্ৰৰ ষ্টেট ইউনিয়ন মিনিষ্টাৰ অৱ হোম এফেয়াৰচ্' তেখেতে কৈছে যে শতকৰা ৯০ ভাগ কাৰ্য্য চুক্তিৰ কাৰ্য্য সম্পাদন কৰা হৈছে। মই ভাবো যে বাকীখিনিও হয়তো কৰিব কিন্তু ৩ কিঃ মিঃ সংশোধন কৰি ৩.৫ কিঃ মিঃ কৰিব আৰু সেই দৰেই চুক্তিৰ কাৰ্য্য সম্পাদন কৰিব আৰু ইল্লিগেল মাইগ্ৰেণ্ট এক্টও হয়তো সংশোধন হব। কেন্দ্ৰীয় চৰকাৰে চুক্তিৰ সময়ত যিদৰে কৈছিল সেই দৰেই হয়তো কৰিব। সেয়ে এই সিদ্ধান্ত বিধান সভাত পাচ নহলেই ভাল হব যেন পাওঁ।

**Mr. Deputy Speaker :** Now hon'ble member Abdul Jabbar.

**Shri Abdul Jabbar :**

Mr. Deputy Speaker Sir, I like to confine my observation and emphatically I would oppose it no doubt but without any prejudice to any party or individual including the mover. So far the amendment is concerned, the Motion, the resolution has been placed before the House. It is for the greater interest of Assam, for peace and tranquility of Assam, as a prudent man just like other, it is my duty to oppose it and I do oppose it. My suggestion in this regard is that from this House

if the recommendation is sent, the weightage of the House must be kept in mind. So sir, since this august House is not the sole authority to amend the Act, I think, any recommendation by this House which will not be at all acceptable, it will be meaningless. So Sir, we will have to give sufficient weightage. So, my observation, as I wanted to put before the House is that this Motion is not acceptable. If I propose Sir, let there be a capital of Assam constructed at Chaulkhowa all will laugh at me. So, this is the idea of this resolution. If I propose before the House that let there be afforestation from Majuli char to Mankachar form Nanglichar to Cachar and Karimganj it will be like that. We cannot take a pragmatic view in implementing the same. It will certainly have the same fate. So Sir, at least this august House should not recommend such a resolution for the greater interest of Assam also. Many members already have expressed their doubts and suspicions regarding this and at the same time, it can be added that since there are some implications, some limitations, even if this accord is amended, as sought for, it will not be possible to amend the provisions made in the Assam Accord. Now, there is no doubt among the people of Assam Sir.........

(noise)

Mr. Deputy Speaker : Kindly sit down. I am on my leg.

Shri Deba Kumar Bora : He has said that the resolution is seeking amendment to Assam Accord but this resolution is not seeking any amendment to Assam Accord.

Shri Abdul Jabbar : Let me conclude sir first, Then my friends will speak. So Sir, I take it to be non-pragmatic, impractical. So Sir, some practical suggestions should be sent to the central Government and in my view, it is not at all possible to implement. In this respect I would cite an example. So far as the jurisdiction of the court is concerned, it is to be functioned within its jurisdiction. The court has a limited jurisdiction. A court cannot function beyond its jurisdiction, i.e. outside its limited jurisdiction. eg. the Tezpur Court has got certain jurisdiction, it cannot function outside its jurisdiction. So far as this resolution is concerned, this resolution wants to take approval of the House. It is in my mind sir such an absurd idea as I have already stated before, will be like that. So Sir, I want to put one observation only. Judges are all human being......

Mr. Deputy Speaker : The House now stands adjourned till 2-30 p.m. today.

Shri Abdul Jabbar : Mr. Speaker Sir, Since we are very much aware that the foreigners issue is a burning issue, unless this issue is solved then it is not possible on the part of Assam and the Assamese people to take recourse to the part of development and peace cannot come back in Assam to any section of people and not to speak of the Assam Accord, as soon as this Resolution

has been moved before this House . there is already apprehension among a section of the people and there is reason to believe that if it is ultimately recommended to the Central Government and gets approval, then I being a member of the minority community, I do believe that chance of harassment may be there : So, Sir , as a member of this House, I myself oppose this move and at the same for the greater interest of Assam. I also request all other members of the House so that such a move is stopped here and not allowed to move further . Again. I like to draw your attention Sir. I find that there is a section of the people who always utter ' Sandehjukta Nagarik.

(noise)

Unless it is clear, we cannot find out a clear cut formula to drive out the foreigners. So, let us come out together to find out a formula so that we can drive out the foreigners

Mr. Speaker : Now, Hon'ble Member Shri K.C. Gogoi

Shri K. C. Gogoi : Mr. Speaker Sir, I rise to oppose this Resolution. I oppose this resolution on the ground that if this resolution is accepted by this House, in that case many provisions of the Evidence Act and also of the other laws duly established will have to be changed. Sir, you will notice that the power of the High Court is conferred by the constitution and the constitution must be allowed supreme power so that every citizen in India can live in peace and harmony. Sir, I do not want to go at length on the resolution or on the accord but I will suggest the ruling party that it will be better

for them to proceed with the present provisions and to take necessary steps under the present provisions. Sir, I have already said that the law established under the constitution will have to be changed. The Evidence Act and other laws, such as, the Civil Procedure Code, the Criminal Procedure Code and also such other laws regarding jurisdiction and other things will have to be changed. Sir, it will be better if we go back to the position and we instead of pressing this Resolution, I would request the mover to withdraw the Resolution and save the minorities, minorities means I mean those who will be affected by these amendments. Sir, I will not like to take time of the House. I conclude Sir, thank you.

Mr. Speaker : Now, Hon'ble member Shri Abdul Jalil Ragibi

শ্ৰীআব্দুল জেলিল ৰাগিবি : মাননীয় অধ্যক্ষ মহোদয়, আমাক এই সদনত ১৯৮৩ চনৰ বিদেশী চিনাক্তকৰণ আইন খন পৰিবৰ্ত্তন কৰাৰ কাৰণে সংশোধনীৰ কাৰণে যোৱা অধিবেশনত আমাক মাননীয় সদস্য ডাঃ কলিতা ডাঙৰীয়াই এটি প্ৰস্তাৱ উত্থাপন কৰিছিল। এই প্ৰস্তাৱটো বৰ্ত্তমান সদনত আলোচিত হৈ আছে। আৰু এই সম্পৰ্কে মই প্ৰথমতেই উক্ত প্ৰস্তাৱটো সম্পূৰ্ণৰূপে বিৰোধীতা কৰিছো। প্ৰকৃতপক্ষে দেখা যায় যে ১৯৮৩ চনৰ বিদেশী চিনাক্তকৰণত আচল সম্পৰ্কটো হৈছে ভাৰতীয় নাগৰিকৰ লগত। এই আইনৰ উদ্দেশ্য হৈছে বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত তেনে কোনো ভাৰতীয় নাগৰিকক যাতে হাৰাশাস্তি দিয়া নহয় সেই বিষয়ে সন্নিবিষ্ট কৰা। মোৰ বোধেৰে মাননীয় কলিতা ডাঙৰীয়াই এই ক্ষেত্ৰত ১৯৮৩ চনত বিদেশী চিনাক্তকৰণৰ উদ্দেশ্য আৰু লক্ষ্য উপলব্ধি কৰাটো অলপ অসুবিধা পাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাজত ট্ৰেজাৰী বেঞ্চ বা বিৰোধী পক্ষই হওক বোধহয় ভুল বুজাবুজি হৈছে। বিদেশী বিতাৰণৰ ক্ষেত্ৰত বিৰোধী

পক্ষই উত্থাপন কৰা দাবীত যে বিৰোধী পক্ষই বাধা দিব খুজিছে আচলতে সেইটো নহয়। এই কথা স্পষ্টকৈ প্ৰমাণ কৰি দিয়া হৈছে যে বিদেশী বিতাৰণৰ নামত সদায় হাজাৰ হাজাৰ ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা হৈছে। অনেক ভাৰতীয়ক এই দেশৰ পৰা বিতাৰন কৰা হৈছে। ষাঠিৰ দশকত যেতিয়া পাকিস্থানী বুলি ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা হৈছিল, হাজাৰ হাজাৰ লোকক এই দেশৰ পৰা বিতাৰণ কৰা হৈছিল, তেতিয়া আমাৰ প্ৰয়াত মুখ্য মন্ত্ৰী আছিল মহেন্দ্ৰ মোহন চৌধুৰী। তেখেতেও লিখিত ভাবে স্বীকাৰ কৰিছিল যে ভাৰতীয় নাগৰিকক পাকিস্থানী বুলি হাৰাশাস্তি কৰা হৈছে। বহুতকে পাকিস্থানলৈ খেদি দিয়া হৈছে বুলি কৈছিল। সেই চিঠিখন এতিয়াও আমাৰ হাতত সংৰক্ষিত হৈ আছে।

অধ্যক্ষ মহোদয়, বৰ্ত্তমান অৱস্থাত বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত যি সকল ভাৰতীয় নাগৰিক তেওঁলোকক হাৰাশাস্তি কৰি থকা হৈছে আৰু নিজৰ নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিবৰ কাৰণে পুলিছে নটিছ দি আছে। এই ক্ষেত্ৰত আমি মুখ্য মন্ত্ৰীক লগ ধৰিছিলো আৰু কৈছিলো যে যদি কোনোবা বিদেশী মানুহ আছে, তেন্তে সেই বিদেশী বিতাৰণ কৰাৰ ক্ষেত্ৰত কোনে ও আপত্তি নকৰে। আমিও আপত্তি কৰা নাই।

অধ্যক্ষ মহোদয়, আমাৰ আচল কথাটো হৈছে যে যিহেতু আমি ভুক্ত-ভোগী সেই কাৰণে বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত আমাৰ ভাৰতীয় নাগৰিকে যাতে কোনো ধৰণে হাৰাশাস্তি নহয় তাক নিশ্চিত কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাটো কৈছিল যে বিদেশী নাগৰিক চিনাক্তকৰণৰ ক্ষেত্ৰত এজনকো হাৰাশাস্তি কৰা নহয়। ইতিমধ্যে পুলিচে যি নটিছ জাৰি কৰিছে তাক অনুগ্ৰহ কৰি আপোনালোকে তদন্ত কৰিবনে? কিমান সংখ্যক ভাৰতীয় নাগৰিকক পুলিচে নটিছ দিছে?

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ১৫ ডিচেম্বৰ তাৰিখে আসাম ট্ৰিবিউনত প্ৰকাশিত এটা বাতৰিৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। ইয়াত লিখা হৈছে

Resentment against police action. The people of Puranigodam expressed resentment

against servicing of notice to local borafide Assamese Muslims to furnish their documentary evidence supporting their Indian citizenship. Different organisations in and around Puranigodam including Sahitya Sabha ..... students Union, Anjuman Islam expressed grave concern and indignation over the uncalled for and unjustified action of the Nagaon Police hurting the sentiment of the people of a particular community living in the area hundred of years. The Secretary of the Puranigodam Anjuman Islam in a telegram to the Chief Minister demanded immediate action in this regards.

অধ্যক্ষ মহোদয়, পুৰণিগুদামৰ মানুহখিনি যিমান দিনৰ পৰা আছে, তেওঁলোক পুৰণি মানুহ। আটাইকেইজনে তাত বসবাস কৰি আছে। তেওঁলোকৰ এজনো বিদেশী নহয়। তেওঁলোক বোধহয় মীৰজুমুলাৰ দিনতে সোমায় আৰু তেতিয়াৰ পৰাই বসবাস কৰি আছে। সেই পুৰণি মুছলমান সকলক পুলিচে অবাধে নটিচ দি আছে। মোৰ সমষ্টিৰ যি কেইজনক পুলিচে নটিচ দিছে সেই আটাইকেইজন মানুহে এই দেশৰ সুনাগৰিক। পুলিচে ৩৫০ জন মানুহৰ নামৰ তালিকা লৈ আহিছিল আৰু গাওঁবুঢ়াকো বিচাৰিছিল। সেই লিষ্টত গাওঁবুঢ়াৰ নামো আছে। এইবিলাকক সন্দেহযুক্ত বাংলাদেশী বুলি কৈছে। তেতিয়াই গাওঁবুঢ়াই পুলিচক সেই লিষ্টৰ এটা কপি দি যাবলৈ অনুৰোধ কৰিলে। তেতিয়া পুলিচে কলে আমি কপি দিব নোৱাৰো। পঢ়ি কৈ দিব পাৰো। যেতিয়া লিষ্টখন পঢ়ি দিলে গোটেইবোৰ ভাৰতীয় সুনাগৰিক। লিষ্টত গাওঁবুঢ়াৰ নামটোও ওলাইছে। অথচ মুখ্যমন্ত্ৰী মহোদয়ে আমাক বাৰ বাৰ আশ্বাস দি আহিছে যে ভাৰতীয় নাগৰিক এজনকো বিদেশী বুলি হাৰাশাস্তি কৰা নহব। পুলিচৰ প্ৰমাণ আৰু কি হব পাৰে পুলিচে যে অবাধে নটিচ দি আছে? ভাৰতীয় নাগৰিকক পুলিচে আগেও জুলুম দি আছিল আৰু এতিয়াও দি আছে। বিদেশীৰ নামত ভাৰতীয় সুনাগৰিকক যাতে হাৰাশাস্তি কৰা নহয় এই কথাটো সুনিশ্চিত

কৰা হৈছিল ১৯৮৩ চনৰ আইনত। পুলিচে নটিচ দি বিদেশী বুলি যিবিলাকক অভিযুক্ত কৰিব তেওঁলোকে অলপ দায়িত্ব লৈ কৰিব লাগে। এজন মানুহে যদি শিৱসাগৰত বহি থাকি কয় যে গুৱাহাটীত বিদেশী আছে তাক কেনেকৈ জানিব? আইনত কোৱা হৈছে যে অভিযোগকাৰী সকল তিনি মাইলৰ ভিতৰত থাকিব লাগে আৰু তেওঁলোকে ২৫ টকা ফিজ দিব লাগে।

অধ্যক্ষ মহোদয় মাননীয় সদস্য শ্ৰীকলিতা ডাঙৰীয়াৰ প্ৰশ্নটো মই মানি লম যদিহে তেখেতে এটা কথা স্বীকাৰ কৰি লয় যে ট্ৰাইবুনেলত এই মানুহ খিনি ভাৰতীয় নাগৰিক বুলি প্ৰমাণিত হয়। যদি আদালতত সেই মানুহ-জন ভাৰতীয় নাগৰিক বুলি প্ৰমাণিত হয় আৰু অভিযোগো মিছা হয় তেন্তে সেই খৰছ আৰু হায়ৰানি কাৰণে যিমান খৰছ হয় তাৰ চাৰিগুণ জৰিমনা দিব লাগিব। লগতে সেইজন মানুহক চাৰি মাহৰ সশ্ৰম কাৰা-দণ্ড দিব লাগিব। এই কথাটো যদি মাননীয় কলিতা ডাঙৰীয়াই মানি লয় তেতিয়া হলে আমি প্ৰস্তাৱটো সদনত মানি লম।

অধ্যক্ষ মহোদয়, বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত আমি ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰিম এই কথাটো আপোনালোকে নকৰ। বিদেশী নাগৰিকক হাৰাশাস্তি কৰা নহব বুলি কৈছে যদিও হৈ আছে কেলৈ? সেই কাৰণে মই প্ৰস্তাৱটোক নিন্দা কৰিছো আৰু সমৰ্থনৰ কথাটোত কওঁ যে এই আটাইবিলাক কথা স্পষ্ট হব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাত মাননীয় সদস্য ডাঃ কমলা কলিতাই অনা প্ৰস্তাৱটো সমৰ্থন কৰি মই কব বিচাৰিছো যে যিটো সমস্যাৰ সৃষ্টি হৈছে সেইটো ৰাষ্ট্ৰীয় সমস্যা। এই সমস্যাটো পাকে প্ৰকাৰে আমাৰ ৰাজনৈতিক নেতা সকলে ৰাখি থৈছিল একমাত্ৰ ভোট বেংকৰ উদ্দেশ্যত। এইটো স্থায়ী সমস্যা সমাধান কৰাৰ কাৰণে মাননীয় সদস্য ডাঃ কমলা কলিতাই বিধান সভাত আজি প্ৰস্তাৱ আনিছে। আমি ভাবিছো সকলো ভাৰতীয় শুদ্ধ নাগৰিকে এইটো মানি লব। এই সমস্যাটো যদি আমি যুগ যুগ ধৰি ৰাখি থও আৰু শুধৰাই নলও তেনেহলে এই সমস্যাটো যুগ যুগ ধৰি থাকিব আৰু সাম্প্ৰদায়িক ভাবেই

হওক বা অন্যান্য জাতিগত ভাবেই হওক সেই বিলাক থাকি যাব। সেই কাৰণে এই সংশোধনী প্ৰস্তাৱটো চাব লাগে। তেতিয়াহলে আমাৰ যিটো বিদেশী নাগৰিকৰ সমস্যা এই সমস্যাটো প্ৰকৃততে সমাধান হলে ৰাজ্যখনত সুস্থ বাতাবৰণ সৃষ্টি হব আৰু প্ৰগতি আৰু অগ্ৰগতি লাভ কৰিব পাৰিম। তাকে নকৰি যদি আমি বিতৰ্কিত ভাবে ৰাখি থও তেতিয়াহলে গোটেই জীৱনটোৱেই সমস্যাটো থাকি যাব। মই এই প্ৰস্তাৱটো সমৰ্থন কৰি কও যে ভাৰতীয় নাগৰিকে ২৫ টকা দিব লগাৰ কাৰণে যিটো নিয়ম বান্ধি দিছে এইটো উঠাই দিব লাগে। কাৰণ কোনো জৰিমনা হব নালাগে। আনহাতে এই ৩ কিলোমিটাৰ যদি ৰাখে তেনেহলে কিছুমান অসুবিধাৰ সৃষ্টি হব। আমাৰ দৰং জিলাত এনেকুৱা কিছুমান ঠাই আছে বা বিস্তৃত এলেকা আছে যত বিদেশী নাগৰিক ভৰি আছে আৰু এই বিদেশী নাগৰিকৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিবলৈ নিজৰ নিৰাপত্তাৰ অভাৱৰ বিষয়ে চিন্তা কৰিবলগীয়া হয়। গতিকে কিলোমিটাৰ ধৰি দিয়াত বহুতো অসুবিবধা হয়। যি কোনো ঠাইৰ পৰা অভিযোগ দাখিল কৰিবলৈ দিয়া হলে সাম্প্ৰদায়িক বা যি ভয় ভাব বা আত্ম ৰক্ষাৰ যি ব্যৱস্থা সেইটো হৈ উঠিব। যদি আমি তাকে নকৰি এই ৩ কিলোমিটাৰতোকেই ৰাখি থও তেতিয়াহলে আমাৰ প্ৰকৃত ভাৰতীয় নাগৰিকে এই আপত্তি দাখিল কৰিবলৈ সম্ভব নহব। আমাৰ ওচৰলৈ বহুতো ভাৰতীয় নাগৰিক আহে। কিন্তু তেওঁলোকে একমাত্ৰ জীৱনৰ নিৰাপত্তাৰ কাৰণে আমাৰ ওচৰলৈ আহে। তেওঁলোকে আমাক কয় আমি বিদেশী নাগৰিক দেখুৱাই দিব পাৰো বিদেশী নাগৰিকৰ নাম দিব পাৰো আৰু বিদেশী নাগৰিকৰ নাম আমাক কিছু দিছেও। সেই কাৰণে দেশৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মাননীয় সদস্য কলিতা ডাঙৰীয়াই যিটো ব্যৱস্থা ডাঙি ধৰিছে সেইটো লব লাগে। এই যিটো ২৫ টকা জৰিমনা সেইটো হাস্যকৰ বিষয়। ভাৰতীয়ই বিদেশী নাগৰিক চিনাক্তকৰণ কৰিবলৈ যাওতে ২৫ টকা জৰিমনা দিব লাগে। গতিকে এই ২৫ টকীয়া ব্যৱস্থাটো উঠাই দিব লাগে। এই যিটো ৩ জনীয়া ন্যায়ধীকৰণ ইয়াৰ মুঠেই আৱশ্যক নাই। বিদেশী নাগৰিক এজন বহিস্কাৰ কৰিবলৈ ৩ জন ন্যায়ধীশৰ কিহৰ প্ৰয়োজন? প্ৰক্ৰিয়াটো বৰ জটিল হৈছে। আন

আন ৰাজ্যত বিদেশী নাগৰিক বহিস্কাৰ কৰাৰ কাৰণে কোনো বিতৰ্ক নহয়। আমি বাতৰি কাকত আদিৰ জৰিয়তে জানিব পাৰো যে লেবানন, আমেৰিকা আদি দেশত বিদেশী নাগৰিক চিনাক্তকৰা কৰিবলৈ বিধান সভাত তৰ্ক কৰিবলগীয়া নহয় বা বিল উত্থাপন কৰিবলগীয়াও নহয়। বিদেশী নাগৰিক চিনাক্তকৰণ কৰিবৰ কাৰণে আমাৰ ইয়াত তৰ্ক কৰিবলগীয়া হৈছে আৰু বিলও উত্থাপন কৰিবলগীয়া হৈছে। বিদেশী নাগৰিক ইয়াৰ পৰা পঠাই দিয়াটো ভাৰতীয় নাগৰিকৰেই কৰ্ত্তব্য। এইখিনিতে আমি এটা উল্লেখনীয় ঘটনা কৈ দিব পাৰো। দৰং জিলাৰ চাউলখোৱা চাপৰিত এটা চৰ আছিল। ১৯৭১ চনত তাত মাত্ৰ ১৫ ঘৰ মানুহ আছিল। কিন্তু ১৯৭১ চনৰ পাচত তালৈ ব্যাপক ভাবে মানুহ আহি গ'ল। এতিয়া তাত হাজাৰ হাজাৰ মানুহ। এই মানুহ বিলাক বা বিদেশী নাগৰিক সকল অহাৰ কাৰণে ভাৰতীয় নাগৰিকৰ হাৰাশাস্তি হৈছে। গতিকে এই প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ মই মাননীয় সদস্য সকলক অনুৰোধ জনাইছো। মাননীয় সদস্য ডাঃ কমলা কলিতাই অনা প্ৰস্তাৱটোত কোনো বিতৰ্কৰ সৃষ্টি নকৰি বিৰোধী পক্ষৰ মাননীয় সদস্য সকলেও যাতে সমৰ্থন জনায় আৰু ইয়াৰ এটা বলীষ্ঠ পদক্ষেপ লয় তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Abdul Muktadir Choudhury**— I oppose the Resolution put forward by the Hon'ble Member, Shri Kamala Kalita and like to make a few observations. This Resolution was tabled in the last session of the Assembly. It is still pending. Lot of deliberations took place and it appears that the House is divided in the issue. Sir, nobody wants that a single foreigner should stay in Assam or in India. But Sir, in doing so, we should be very cautious. Our Chief Minister is repeatedly saying that no Indian will be harrassed. But Sir, if the resolution is adopted and the Act amended accordingly, more Indians will be harassed and there will be chaos. This House

is the supreme one and it should adopt a resolution which is consensus. It should be consensus, otherwise, there will be no effect of it. Sir, there are two problems. First, there should be detection and deportation and other aspect is that the re-entry and fresh infiltration should be checked that the border should be sealed properly and manned properly. I quite agree with the Hon'ble Member, Shri Zoi Nath Sarma who in a Call Attention Motion stated that Assam should have a special Police force of its own to be placed in the border. Let us move the Centre for the same in addition to the BSF personnel who are there. We know how the BSF personnel are functioning in the border. I personnaly visited the Karimganj border where I raised some objections against some BSF personnel hear Korikhita borders. Accordingly, some BSF personnel were suspended. But this has not remedied the problem. So, Assam should have its own force. They should also remain vigilant in the border and let them protect the border against fresh infiltration and re-entry. Sir, we should see both the sides. There is no denying the fact that nobody wants any foreigner should stay in Assam or ih India. Sir, in the name of foreigner, no Indians should be harassed. The onus of proof should lie on the person why files objection against any person alleged to be a foreigner.

But Sir, we should not forget that Indian Evidence

Act is there. Our renowned Law Minister is sitting there; definitely he will clarify the position that the Indian Evidence Act will come in such matter. How is it that I can file an objection from Gauhati against persons who are residing at Tinsukia, Dibrugarh or Lumding and my duties are over and the other side will have to prove that he is an Indian and not a foreigner ? How can it be without a prima facie case ? A prima facie case must be there. It must be established by the person or persons who file the objection and then only the other side will come into the picture. Again the question 3 km and other things should be taken into consideration at a time. One should not be allowed to file objection sitting at a place of 400 km distance, without knowing the person or persons against whom he files the objection. The onus of proof lies with him. But if the onus of proof falls on the person or persons complained against, then it will lead to total chaos and it will rather delay the entire proceedings. Whether we want that foreigners should be detected and deported, or whether we want chaos; whether we want quick disposal of the cases or whether we want in the name of foreigners Indian should be harassed ? All sections of the society should be taken into confidence and the Hon'ble Chief Minister should sit with the opposition and find out how best we can detect and deport the foreigners. This House should not pass a resolution which is not unanimous and consensus; otherwise it will have no effect. I think the 3 k.m. juris-

diction should be there. The person should be from the same locality; he should know the person personally: Without knowing him and taking out the voters' list one will go on filing the objection only to defame the Government and create chaos. This should not be allowed. Who will take the responsibility ? We should move very cautiously. Nobody wants foreigners should live in Assam or India.

Now the next point in the resolution is that in place of 3 judges there should be one judge. I do not find any justification. No member from the other side of the House has justified it Will it help quick disposal or what is the intention ? I want to read out relevant section that is section 12, clause (2). It is stated there in "Where the members of the tribunal differ in their opinion on any point, the decision on such point shall be according to the opinion of the majority of such members". So one should not be put trouble and justice should be done to all. We cannot play with the fate of a person. Let the 3 judges decide whether a person is Indian or foreigner.

Next thing Sir, is about the revisional power of the High Court. Section 17 says "The High Court may call for the record of any case which has been decided by the Appellate Tribunal situated within its local jurisdiction and if such Appellate Tribunal appears—

(a) to have exercised a jurisdiction not vested in it by law,

(b) to have failed to exercise a jurisdiction so vested. or

(c) to have acted in the exercise of its jurisdiction illegally or with material irregularity,

the High Court may make such order in the case as it thinks fit".

Sir, in this resolution it is said that this should be withdrawn. I doubt whether Parliament has any right to withdraw this thing. We should not lose sight of Article 226 the Fundamental Rights are there. Sir the Law Minister is here and he has name and fame; he can also enlighten us Even Parliament cannot do anything as far as Article 226 is concerned. How can we infringe upon the fundamental rights of the people ? (Voices : it is for the Indian citizens) A man should be first identified whether he is an Indian citizen or not. We want that not a single Indian citizen should be harassed. By withdrawing this provision we will allow a chaotic condition. Even if we pass the resolution it will be infructuous. Article 226 can be deleted or amended only after amending the Constitution of India. We should not do anything which has no value.

With these few observations I conclude.

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য শ্ৰীনৰেন তাঁতীয়ে কব।

শ্ৰীনৰেন তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয় আৰু মাননীয় সদস্য সকল আমাৰ মাননীয় সদস্য শ্ৰীচৌধুৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিলে এই প্ৰস্তাৱটো মই সমৰ্থন জনাইছো। বিদেশী চিনাক্তকৰণৰ কথা ইয়াত বহুতে কৈছে আৰু ইণ্টাৰফেয়াৰো কৰিছে। কিন্তু এটা কথা হল—বিদেশী নাগৰিক সম্পৰ্কে আমি কোনো চুক্তিৰ কথা কৈ বিদেশীক হাৰাশাস্তি কৰা আমাৰ

চ্যুত নপৰে। এইটো চেলেঞ্জ দিব পাৰো। গতিকে কথা হৈছে তেখেতে ফাণ্ডামেণ্টেলৰুলৰ কথা কৈছে। এই ফাণ্ডামেণ্টেল ৰুল কেৱল অভাৰতীয় লোকৰ কাৰণে নহয় গোটেই ভাৰতীয় নাগৰিকৰ কাৰণে। গাওঁ আনকি চহৰতও কিমান সন্দেহযুক্ত নাগৰিক আছে বুলি কোৱা কথাবাৰ বেয়া হোৱা নাই। মই সন্দেহ কৰিছো আৰু সন্দেহ কৰাৰ আমাৰ অধিকাৰ আছে। আমি সন্দেহহে কৰিব পাৰো। সেই বুলি বিদেশী কৰি দিয়া নাই। বিদেশী কৰি দিলে ইয়াৰ পৰা গেটআউট কৰি দিব লাগিব। অলপমান সন্মান জনাইহে কথাবাৰ কৈছো। যিয়েই নহওক বিদেশী নাগৰিকৰ সম্পৰ্কে ইয়াত যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে এইটো চুক্তিও হৈ গল। এতিয়া এই চুক্তিখনত কাম কৰিব পৰা ক্ষমতা আমাৰ হাতলৈ আহিছে। কাম দ্ৰুত গতিত হব লাগে। ভাৰত চৰকাৰে যিটো কথা কৈছে-যে ৩ কিলোমিটাৰৰ ভিতৰত থকা মানুহকে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ক্ষেত্ৰত তেওঁলোকে আপত্তি দিব পাৰে। এইটো কিবা কথা হল নেকী? ৩ কিলোমিটাৰ কি ১৫-২০ কিলোমিটাৰৰ ভিতৰতো বিদেশী নাগৰিক আছে। এইদৰে চালে ১৫-১৬ কিলোমিটাৰলৈকে চালেও বিদেশী নাগৰিকক বাচি উলিয়াবলৈ উপায় নাই। গতিকে আপত্তি দিয়াটো নিশ্চয় উচিত হব। কেৱল বিদেশী নাগৰিককে নহয়, ভাৰতীয় নাগৰিকৰো হাৰাশাস্তি কৰিব। আমাৰ ফালৰ পৰা কবলৈ গলে ভাৰতীয় নাগৰিকক কেতিয়াও হাৰাশাস্তি কৰা নাই। অসম চৰকাৰেও ভাৰতীয় নাগৰিকক কোনো ধৰণৰ হাৰাশাস্তি কৰা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু অন্যান্য মন্ত্ৰীয়েও কৈছে যে কাকো হাৰাশাস্তি কৰা নাই। যদি কৰবাত কৰা হৈছে বিদেশী নাগৰিককহে কৰিছে। সন্দেহযুক্ত বিদেশী নাগৰিকক সন্দেহ কৰা আমাৰ অধিকাৰ আছে। গতিকে এইজন ভাৰতীয় নাগৰিক, এইজন বিদেশী নাগৰিক এই বুলি আমি প্ৰমাণ কৰি দিব নোৱাৰো। কিয়নো ইয়াত বহুত কথা আছে। যিবিলাক কথা আইনৰ যোগেদিহে প্ৰমাণ হব। ভাৰত চৰকাৰে ৩ কিলোমিটাৰৰ সীমা বান্ধী দিব নালাগিছিল। যিকোনো ঠাইৰ পৰা দিব লাগিছিল। অসমৰ যি কোনো ঠাইৰ পৰা বিদেশী চিনাক্তকৰণ কৰিবলৈ সুবিধা দিয়াটো ভাল কথা হৈছে।

তাৰ পিচত কথা হৈছে আমি কিছুমানক বিদেশী নাগৰিক বুলি কিয় শাস্তি দিব লগা হৈছে? তেওঁলোকে ২৫.০০ টকাৰ ফিজ কিয় দিব লগীয়া হৈছে। এইটো এটা কথা নেকি? গতিকে এটা প্ৰস্তাৱ উত্থাপন কৰি মই কব বিচাৰিছো যে তিনি জনীয়া ন্যায়াধীকৰণৰ পৰিবৰ্ত্তে এজনীয়া হব লাগে। এই প্ৰস্তাৱটো সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

Sheikh Abdul Hamid : Hon'ble Mr. Speaker, Sir, I oppose the resolution moved by hon. Shri Kamala Kalita. In this resolution some sort of amendment is sought regarding the Illegal Migrants (Tribunal's) Act of 1983. Sir, we know that if any resolution comes from any member of any political party that indicates the idea or the decision of that very political party. Hence, this resolution is moved by a member of a ruling party. Sir, it is the resolution of the ruling party. I say, Sir, in this resolution, a number of points and provisions of the Illegal Migrants Act, 1983 are sought to be amended. "Illegal Migrants" is to be amended as 'illegal foreigners' and like this—the barrier of 3 K.M.s should be withdrawn. Sir, I say, it is unconstitutional and anti-democratic, because, if person gets right to go to any court of law and if he is not satisfied with the decision of that very court, he should have the right to go a Higher Court. This power of appeal should not be withdrawn. The ruling party which has come to power after six years of agitation during the agitational period the leaders of the agitation announced that lakhs and lakhs of foreigners entered the Assam land. After one year of completion of the A.G.P. Government, the leaders of the

agitation have come to realise and they have found nothing is there as foreigners as they shouted before. They have found that actually there are no foreigners But they have to get the support of the people. So the Police Officers were issued orders to detect at least 10 foreigners. Otherwise, departmental action will have to be taken against them. By such action the Police Officers issued notices to persons those who entered Assam between 1967 and 1971. But they found after veryfying the documents that there is no such suspected foreigners as had been said. I must say that there is no such foreigners or persons of any foreign country as have been told by the ruling party or the A.G.P. leaders during the agitational time.

Sheikh Abdul Hamid : The people of Assam have been told that the Assam land filled up with the foreigners. So they have understand that if they cannot amend this Act of 1983, they cannot drive out the foreigners. They have resorted to this stand as a safeguard to the commitment to the people of Assam. Sir, we know the 1985 in connection of correcting voters list & about 10 to 13 lakhs people have lost their voting powers.

Can anybody dare to say that these 10 lakhs or 13 lakhs are foreigners. I must say that they are certainly not foreigners. Examination by the Police force is already going on for the period from 1967-71 on the people who are not foreigners. But the ruling party acting on this vague problem and telling people they cannot file

an objection if this amendment is not accepted and if it is not done their commitment to the people will not be fulfilled. So the ruling party want to amend 1983 Act and they want to creat condition easier to file a complain against the persons who are suspected to be foreigners and most of them are m nori'y people, who spoke Assamese languages, who learn Assamese language in the Assamese educational instiutions and these new Assamese people who safeguard Assamese culture, Assamese literature. In 1960 and 1972 language movement, when I was a student of Class X, I happened to fight for that movement. But most unfortunaely, I have been considered to have come after 1971? How they can said t› be coming after 1971? So, Sir, this resolution I must say, has been brought just to safeguard the position of the ruling party, just to safeguard their commitment to the people of Assam and so this will not sarve the purpose for which it has been brought. Inspite of all these things, if such type of resolution is adopted in this House or if adopted by Parliament even, this will creat misunderstanding and misconception among all sections of people. I must say, this will definitely hamper the process of unity among the Assamese communities. Sir, it will creat chaos, it will creat misunderstanding among various sections of people of Assam and will hinder the progress of the state, will hinder the unity among the people of Assam: So, I request the hon'ble member, Dr. Kalita to withdraw this resolution: If not we will demand a division onthis resolution.

মাননীয় অধ্যক্ষ : এই সম্পৰ্কৰ প্ৰস্তাবৰ ওপৰত ভালে কেইজন মাননীয় সদস্যই কবলৈ বাকী আছে আৰু ইতিমধ্যে ভালেখিনি বিতৰ্ক হৈ গৈছে। আজিৰ ভিতৰতে এই বিষয়টো শেষ কৰিব পাৰিলে ভাল হয়। গতিকে আৰু যি সকলে কব বিচাৰিছে, যদি কোনোবা কবলৈ বাকী আছে চমুকৈ কয় যেন।

Shri Abdul Rob Laskar : Mr. Speaker Sir, I rise to oppose the resolution moved by hon'ble member Dr. Kalita for the purpose of amending some provisions of the Illegal Migrants Determination by Tribunal Act, 1983. Sir, we have witnessed much deliberations over this resolution: We saw a division in the House over this resolution. Sir, until and unless, a unanimous recommendation has been made, there is no hope for consideration by the parliament. So Sir, in this context some hon'ble members of this House have already suggested for the withdrawal of the resolution. Now Sir, a question arises, why this resolution has been moved. This resolution is moved for the purpose of bringing some amendment in the Illegal Migrants Determination by Tribunal Act, 1983. Sir, in this context I will submit one thing that if Illegal Migrants Act was not born before the Assam Accord was signed, this type of question would not have arisen before the House today. But unfortunately, we did not find any clause in the Assam Accord for amendment of the Tribunal Act. Sir, it was said by one of the Hon'ble members on the very first session of the House that by this Accord nobody loses anything and nobody gains anything. Now after a period of one year, we find

that this type of statements are being made and resolution has been moved. Probably at the time of signing this Accord no thought was given and the members of the AASU and the All Assam Gana Sangran Parishad who signed the Accord probably did not enter in-to the heart of the matter and consequently this type of resolution has been put forward in the House for amendment of the Illegal Migrants Determination by Tribunal Act. Sir, I myself is concerned personally and as a member of the House belonging to Indian National congress, I feel no foreigners should remain in our country, which is already over populated. We are facing already acute problems in all spheres for which we have adopted Family planning. So in the circumstances, there is no reason to support that a man who is not a man of our land should remain here. No foreigners should be allowed to remain in our country.

I am placing these facts from the core of my heart that no foreigners should remain in our country. Sir, it is most unfortunate that even after the birth of the Accord why there be such a resolution. So, Sir, one thing I like to submit most humbly and respectiffully that the manner in which the resolution has been placed for the purpose of amendment of the Illegal Migrants (Determination by Tribunals) Act, 1983 is against the canons of law. Sir, there is no reason for withdrawal the jurisdiction of three k. m. because it is to be Admitted by all that a man living in a far distance will

not be in a position to file any complain against another person without knowing the person, without knowing his whereabouts and at the same time if there is no imposition of fees to be deposited along with the petition then there is every possibility of malafide and it may also so happen that complainent might not be available. So, I like to submit that for this reason it is unjust and unreasonable. Sir, it is against the canons of law. Sir, all the cases have to be disposed of as per the Indian Evidence Act. So, unless and until Indian Evidence Act is amended the question of shifting the responsibility from the shoulder of the petitioner does not arise at all and that is why I like to say that it is against the canons of the law. Sir, we all know that Mrs Indira Gandhi, the then Prime Minister of India was assassinated and how she was assassinated we got it from various sources. The session judge convicted three persons in a case where the Prime Minister of the country was murdered. But even then accused persons were not denied their fundamental rights to go to the higher court for getting justice. These three accused persons who were given death sentance were allowed to appeal in the High Court though the High Court also upheld the judgement of the session Court. Sir, in the resolution it has been mentioned that an illegal foreigner should not be given the opportunity to move the higher court and at the same time only one judge in the Tribunal is to dispose of the case. Sir, the man-

ner in which the resolution has been moved is unjust and unconstitutional. Sir there is a feeling in the minds of the people that this Government is maintaining biased attitude towards the minority communities. So, by this resolution the Government is showing their utter failure to understand the reality at the time of signing the Accord and this resolution has been brought for the very purpose to satisfy the people of the State and as a result the purpose of this resolution will not be remained understandable to the people of the State With these observations I oppose the resolution. Thank you, Sir.

Shri Binoi Kungur Basumatary : - Sir, I want to participate. I have sent my name.

Mr.: Speaker:— I have not received. Now, Hon'ble Member Shri Prafulla Goswami.

শ্ৰীপ্ৰফুল্ল গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, ডঃ কমলা কলিতা দেৱে যি প্ৰস্তাৱ সদনত উত্থাপন কৰিছে সেই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই কব বিচাৰিছো যে ভাৰত তথা অসমৰ নিচেই কাষত থকা দেশ কেইখনৰ পৰা অন্যায় ভাৱে যে মানুহ ইয়ালৈ আহিছে সেই কথা আজি কোনেও নুই কৰিব নোৱাৰে। এতিয়া কথা হল এই অন্যায় ভাৱে অহা মানুহ খিনি বহিস্কাৰ কাৰৰ ক্ষেত্ৰত ছয় বছৰীয়া আন্দোলন হৈ গল আৰু তাৰ পৰৱৰ্ত্তী সময়ত চুক্তি হল। এই আন্দোলনৰ এক মাত্ৰ লক্ষ্য হল অন্যায় ভাবে অহা মানুহ খিনিক বহিস্কাৰ কৰাটো। আপোনালোকে জানে পৃথিবীত মানুহ বাঢ়িছে আৰু অসমতো মানুহ বাঢ়িছে। এই মানুহ বঢ়াৰ অনুপাত ভালকৈ চাবলৈ যায় দেখিব ভাৰতৰ অন্যান্য প্ৰদেশৰ তুলনাত অসমত মানুহৰ সংখ্যা বঢ়াৰ অনুপাত বহুত বেছি। ইয়াৰ পৰা এইটোৱেই প্ৰমাণিত হৈছে নিচেই কাষতে থকা দেশৰ পৰা অন্যায় ভাৱে হোৱা প্ৰব্ৰজনৰ ফলত এই মানুহ ভয় লগা ধৰণে বাঢ়ি গৈছে। এই বিদেশীসকলক বহিস্কাৰ কৰাৰ

প্ৰশ্ন যেতিয়াই উঠে তেতিয়াই এটা বিশেষ গোষ্ঠীৰ মানুহৰ লোকে এই কথাটোত বাধা দিয়া দেখা যায়। এই সমস্যাটো আমাৰ এটা ডাঙৰ সমস্যা আৰু সেই কাৰণে ইয়াৰ সমাধান কৰিব বিচাৰিছো। পৃথিবীত এনে কিছুমান বস্তু আছে যাক আমি ইচ্ছাকৃত ভাৱে বঢ়াই দিব নোৱাৰো তেনে এটা বস্তু হল মাটি। মাটিৰ ওপৰত নিৰ্ভৰ কৰি মানুহ জীয়াই থাকিব লাগিব। এই ধৰণে যদি অন্যায় ভাৱে মানুহ আহি থাকে তেন্তে ভাৰতীয় লোকৰ তথা আমাৰ খিলিঞ্জীয়া লোকৰ নিৰাপত্তাৰ অভাৱ হব। আপোনা-লোকে জানে যে জাতি প্ৰেম, গোষ্ঠী প্ৰেম মানুহ মাত্ৰেই আছে। এজন মানুহক যেতিয়া আন এজনে মাৰিবলৈ আহে তেতিয়া ভায়েকে ককায়েকৰ হৈ লাঠি লৈ খেদি যায়। আন হাতেদি দেখা যায় মাটি এবেগতৰ কাৰণে ভাই ককাৰ মাজত কাজিয়া লাগে। সেই সময়ত জাতি প্ৰেম. গোষ্ঠী প্ৰেম নাথাকে। গতিকে ইয়াৰ খিলিঞ্জীয়া লোকৰ সংৰক্ষণৰ কথাটো চিন্তা কৰাটো একান্ত কৰ্ত্তব্য বুলি ভাবো। যদি চুক্তি ৰূপায়ণ কৰিব লগা হয় বিদেশী সকলক বহিস্কাৰ কৰিব লগা হয় তেন্তে ১৯৮৩ চনৰ বিদেশী চিনাক্তকৰণ আইনৰ সংশোধনৰ নিতান্ত প্ৰয়োজন।

ডঃ কমলা কলিতাই যিখিনি পইণ্টৰ সংশোধনী বিচাৰিছে মই তেখেতৰ লগত একমত আৰু মই ভাবো আমাৰ মাননীয় সদস্য সকলে একমত হোৱাতো উচিত। এই কাৰণেই মই আমাৰ মাননীয় সদস্য সকল একমত হোৱাতো বিচাৰো যে আমাৰ ভৱিষ্যতৰ অসমবাসীৰ বংশধৰ সকলৰ ৰক্ষণা বেক্ষণৰ প্ৰয়োজন হৈছে, আমাৰ সকলো মাননীয় সদস্য একমত হোৱাৰ অন্যথাই এজনো বিদেশী বহিস্কাৰ কৰিব পৰা নাযায়। আমাৰ মাননীয় সদস্য সকলৰ যি দৰে নিজৰ পৰিয়ালৰ কাৰণে ভৱিষ্যতৰ কাৰণে জীৱন বীমাৰ আৱশ্যক, সেইদৰে আমাৰ মাননীয় সদস্য সকলে আহি থকা ভৱিষ্যত বংশধৰ সকলৰ ৰক্ষণা-বেক্ষণ কৰিব লাগিব। ভৱিষ্যতৰ কাৰণে আমি সম্পদ ৰাখিব লাগিব। আৰু মাটিয়েই হল আপুৰুগীয়া সম্পদ। অসমীয়া মানুহৰ ঘৰত আলহী আহিলে এদিন বা দুদিন থকাৰ পাচত তৃতিয় দিনা ঘৈনিয়েকে গিৰিয়েকক আলহি কেতিয়া যাব সোধে। এইটো কৰে ভৱিষ্যত লৰা ছোৱালীৰ ভাত মুঠিৰ কাৰণে। নহলে ভৰাল উদং

হব। গোষ্ঠীগত প্ৰেমৰ খাটিৰত মানুহে এদিন দুদিন আলহী ৰাখিব পাৰে। কিন্তু এইটোৱেই চিৰস্থায়ী হব নোৱাৰে। একে ধৰ্ম্ম একে জাতিৰ লোক হলেও বাংলাদেশী লোকক পাকিস্থানে কেতিয়াও নাৰাখে। গতিকে মোৰ লগত সকলো এক মত হব যে বিদেশী সকলক বহিস্কাৰ কৰিবই লাগিব আৰু ১৯৮৩ চনৰ বিদেশী ন্যায়ধীকৰণ আইনৰ যি তিনিটা ধাৰা দিয়া হৈছে সেই কেইটাৰ যিখিনি সংশোধন বিচৰা হৈছে সেইটো নিশ্চয় সংশোধন কৰিব লাগিব। আবেদন পত্ৰ আদিৰ অভিযোগ দাখিল কৰিবৰ কাৰণে যি তিনি কিলোমিটাৰ ব্যৱস্থা আছে তাক উঠাই দিব লাগে। তাৰ পাচত ২৫ টকা জৰিমনা ভৰি বিদেশী চিনাক্তকৰণ কৰাটো একো কথা হব নোৱাৰে। এইটো উঠাই দিয়াতো বিছাৰিছো। তাৰ ওপৰি খৰটকীয়া ভাবে এই আইন খন ৰূপায়ন কৰিবলৈ হলে তিনিজনীয়া ন্যায়ধীকৰণ উঠাই দি এজন কৰিব লাগে গতিকে এই সকলো বিলাক কথা চিন্তা কৰি আমাৰ মাননীয় সদস্য সকলে এই প্ৰস্তাৱটো সম্পূৰ্ণ ৰূপে সমৰ্থন কৰিব বুলি আশা কৰি মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

Shri B. K. Basumatary :— Hon'ble Mr. Deputy, Speaker, Sir, the problem of foreigners and the necessity now to amend the Acts in relation to the illegal Migrants Tribunal is sought to be brought in through this Resolution I do not want to support this resolution because we have certain reservations. Mr. Speaker, Sir, while listening to the debates here, I have constantly observed two words which were used- one was new Assamese and the other one was Assamese. In this connection, Sir, I would like to point out that what about the 'aboriginals' like us ? What about our feeling the feeling of the aboriginal people ? Sir, I would like to point out the feeling of our aboriginal people. This problem of foreigners and driving them out is relatively a new problem to the 'aboriginal' people of Assam as there is a political reason behind the issue.

Sir, there was a time when the foreigners were encouraged to come to Assam and now their descendants want to drive them out. Once the foreigners were encouraged by a group of people of Assam and now their descendants on political reasons want to drive them out. Then sir, I am coming to the accord. Here is an agreement a Memorandum of Settlement, where clause (6) says constitutional, legislative and administrative safeguard, as may be admitted, will be given to promote and preserve the linguistic and cultrual heritage of the Assamese people. Now, sir, we have a section of tribals and a new party (UTNLF) have got certain reservations about this. New Assamese' people. Sir, we are inhabitant of Assam but we have a different language and different customs and since the time this accord was signed, we have expressed our reservation and, I am afraid, our apprehensions will prove true. Now, sir, I want to cite two instances. One example is that by the Gazette Notification No. 80 dated 12 August, 1986, Govt. have issued certain rules. According to this rule the next to kith and kin of those who have participated the agitation will be entitled to such and such, namely, (1), (11) and (111) etc., etc. Now, this rule has been given precedence over the constitutional provision. Even if there is a mention in the proviso to Section 4 of this Notification that Constitutional promises to the tribals and other backward people would be honoured, this Rule has been given precedence by the action of the Government and in support of my view

I again display this Notification ( holding a printed paper in his raised hand ) in the Assam Gazette which has constituted the Local Employment Committees.

SHRI S.N. MEDHI (MINISTER) : Mr. Deputy Speaker Sir, the Hon. Member should not bring in unrelated matters. He should speak about the content of the Resolution itself. Now he bringing in certain matter which does not relate to the Resolution.

SHRI ALTAF HUSSAIN MAZUMDAR - Mr. Dy. Speaker, Sir, while speaking on the Resolution, the Hon. Member should be allowed to deliberate on the pointe for analysis. He is analysing the co-related issue to determine whether this Resolution has to be Supported or not.

SHRI BINAI KHUNGUR BASUMATARY - Sir. as far the Rules of procedure of the House is concerned, there is a regular conflict. The Rule says that when somebody is on his legs no one should be interrupted but here when a Member speaks in support of the Treasury Bench it is very much heard without any interruption but they display that they do not like it when a speech is made from the opposition side criticizing a motion moved from the other side.

SHRI S.N. MEDHI (MINISTER) - Sir. I object to that. It is not relevant to the Resolution and that is why we wanted to draw your attention. The Member has referred to something, some notification which is not relevant.

SHRI BINAI KHUNGUR BASUMATARY - It is very much relevant Sir, and this refers to Clause 5 (9)

of the Assam Accord. They have no point to interrupt, Sir; it is on 5 9) and this 5(9) is a part of the Accord. Therefore Sir, this Committee even if I represent a tribal constituency at Udalguri, not a single tribal member has been included in the Committee.

Mr. Deputy Speaker – Mr. Basumatary, kindly speak confining to the Resolution.

SHRI BINAI KHUNGUR BASUMATARY—Sir, I am speaking on the co-related issue. The Treasury Bench has taken the help of Assam Accord-Clause No. 5-5(9) to move this Resolution. That is why, I am referring to this Clause. They have taken 5(9), I am taking clause 6. Sir, when the Local Committee on Employment does not have any representation of a Tribal member.

Mr. Deputy Speaker (interrupting) - Please make your speech short.

SHRI BINAI KHUNGUR BASUMATARY—Yes Sir, there is no tribal member represented in this Committee on Employment. That means no tribals are likely to get any employment as per this Notification. Therefore Sir, we have this apprehension and I refer to this apprehension to day which is co-related to this Resolution, and as such, the Resolution should not be adopted by the House. So I oppose it. Thank you.

(Hon. Speaker came in and took the chair and Hon. Deputy Speaker moved to his seat)

শ্রীআফজালুর রহমান :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ডঃ কমলা কলিতা কর্ত্তৃক আনীত প্রস্তাবের বিরোধিতা করে আমার বক্তব্য তুলে ধরছি। স্যার, আমাদের মনে অতীতের অনেক অভিজ্ঞতা রয়েছে এবং সেই অভিজ্ঞতা

থেকে আমি কয়েকটি কথা উল্লেখ করতে চাই। উপাধ্যক্ষ মহোদয় স্বাধীনতার পর ১৯৫১ সালে আসামে যে রায়েট হয়েছিল ১৯৬০ সালে যে কুইট ইণ্ডিয়া আন্দোলন হয়েছিল তাতে সুধু সংখ্যালঘু সম্প্রদায়ের লোকদের নানা ভাবে হয়রাণী করার চেষ্টা হয়েছিল। ১৯৫১ সালের রায়েটের পর যখন এন আর সি তৈরী করা হলো তখন দেখা গেল যে ইচ্ছাকৃতভাবে ৫৪ হাজার প্রকৃত ভারতীয় মানুষের নাম এই এন আর সিতে ঢুকানো সম্ভব হয়নি। স্যার এটা আমার নিজের কথা নয়। তখনকার গভর্নর শ্রীজয়রাম দৌলত্‌রামের নিজের কথা। তাছাড়া ১৯৬০ সালে যে কুইট ইণ্ডিয়া আন্দোলন হয়েছিল তাতে ও সংখ্যালঘু সম্প্রদায়ের মানুষদেরে আসাম থেকে বিতারণের একতা কুচক্রান্ত চলেছিল। আর যে ৫৪ হাজার লোকের নাম এই এন আর সিতে নেই তাদের কি ভাবে আসাম থেকে বিতারণ করা যায় তার জন্য শুরু হলো পরবর্তী সময়ে আন্দোলন। সংখ্যালঘু সম্প্রদায়ের ছেলে-মেয়েরা চাকুরীর ক্ষেত্রে, স্কুল কলেজে পড়াশুনার ক্ষেত্রে নানা ভাবে অসুবিধার সম্মুখীন হতে লাগলো। কারণ চাকুরীর ক্ষেত্রে বা পড়াশুনার ক্ষেত্রে পি আর সি না হলেই নয়। কিন্তু যেহেতু তাদের নাম এন আর সি'তে নেই তাদের পক্ষে এই পি আর সি যোগাড় করাই অসম্ভব হয়ে উঠেছিল। তাছাড়া যাদের জন্ম ১৯৫১ সালের পর হয়েছে তাদের নাম কি ভাবে এই এন আর সিতে থাকবে তা আমি বুঝতে পারি না।

উপাধ্যক্ষ মহোদয়, গত নির্বাচনের আগে আমরা কি প্রত্যক্ষ করেছি? আমরা দেখেছি বিদেশী চিনাক্তকরণের নামে হাজার হাজার প্রকৃত ভারতবাসীর নাম ভোটার লীস্ট থেকে বাদ দেওয়ার জন্য একটা কুচক্রান্ত চলেছিল। স্যার, আপনি শুনলে আশ্চর্য্য হবেন যে একমাত্র আমার সমষ্টিতেই (জলেশ্বর) ভোটার লীস্ট সংশোধনের নাম ২২ হাজার মানুষের নামে বিদেশী সন্দেহ করে আপত্তি পেশ করেছিল। যাতে তাদের নাম ভোটার লীস্টে না উঠতে পারে। এমনকি আমার নিজের বোনের বিরুদ্ধেও এই আপত্তি করা হয়েছিল। তখন আমরা গোয়ালপাড়া থেকে ৭১ সালের ভোটার লীস্টের সার্টিফাইড কপি এনে মেজিষ্ট্রেটের সামনে হাজির হয়েছিলাম এবং তারপর প্রমাণও হয়েছিল যে এই ২২ হাজার লোকের মধ্যে একজনও বিদেশী নেই।

সুতরাং একজনকে বিদেশী বলে সন্দেহ করার আগে তাকে নিশ্চিত হবার প্রয়োজন আছে বলে আমি মনে করি। উপাধ্যক্ষ মহোদয়, এই প্রস্তাবে তিন কিঃ মিঃ সীমা উঠিয়ে দেবার যে কথা বলা হয়েছে তার আমি বিরোধী কারণ এটা করা হলে যে কোন ব্যক্তি সংখ্যালঘু অধ্যুষিত অঞ্চলের সকলের নামে আপত্তি পেশ করার সুযোগ পাবে এবং সবাইকে বলা হবে যে তারা সবাই বাংলাদেশী। কি অদ্ভুদ বিচার? এই প্রস্তাবের অন্য এক যায়গায় ট্রাইবুনেলের তিনজন বিচারপতির যায়গায় একজন করার প্রস্তাব করা হয়েছে। ক্ষমতার যাতে কেউ অপব্যবহার করতে না পারে সেদিকে লক্ষ্য রেখেই আমাদের কোর্টের ব্যবস্থা হয়েছে। জনসাধারন যাতে ন্যায় বিচার পেতে পারে, কোন প্রকৃত ভারতবাসী যাতে ন্যায় বিচার থেকে বঞ্চিত না হয় সে কথা ভেবেই এই ট্রাইবুনেলের বিচারকের সংখ্যা তিনিজন রাখা হয়েছে এবং পরবর্তী পর্য্যায়ে উচ্চ আদালতে যাওয়ারও ব্যবস্থা রাখা হয়েছে। এমতাবস্থায় একজন বিচারক দিয়ে টাইবুনেল চালানোর কোন যুক্তি থাকতে পারে বলে আমি মনে করি না। সুতরাং এই প্রস্তাব সমর্থন যোগ্য নয়। আমি এর বিরোধিতা করে আমার বক্তব্য শেষ করছি।

**Mr. Speaker :—**

**Those who are in favour of the Motion say Ayes' Those who are against the Motion say 'Noes' Ayes have it, Ayes have it ( Noise – Ayes and Noes ) Ayes to the 'Ayes' 'Noes' to the 'Noes' ( Division )**

শ্ৰীভবেন নাজি ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে ১৯৫১ বুলি কৈছে, মোৰ মনত আছে ১৯৪৭ চনতহে স্বাধীনতা ঘোষণা কৰা হৈছিল। ১৯-৮ চনৰ ২৬ জানুৱাৰী তাৰিখে গণতন্ত্ৰ দিৱস, সেই সময়ত বিদেশীৰ কোনো প্ৰশ্ন নাছিল।

শ্ৰীজয় নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, তাৰিখ আৰু চন যদি ভুল হৈছে তেন্তে সেইখিনি প্ৰচিডিংচৰ পৰা বাদ দিব লাগে।

মাননীয় অধ্যক্ষ ঃ আমাৰ এই শিতানত ভালেকেইজন সদস্যৰ নাম কবলৈ বাকী আছে, কিন্তু ইতিমধ্যে সময় আমাৰ ভালেখিনি হল। গতিকে এতিয়া মুখ্যমন্ত্ৰীয়ে বিবৃতি দাঙি ধৰক।

মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন ১৯৮৩ ৰ ওপৰত যিবিলাক সংশোধনৰ প্ৰস্তাৱ কৰিছে সেই গোটেইখিনি সংশোধন আৰু তাৰ উপৰিও আৰু কিছু সংশোধনৰ প্ৰস্তাৱ কৰি যোৱা ১০।৩।৮৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰণালয়লৈ পঠোৱা হৈছে। এই বিষয়ত দিয়া আমাৰ সংশোধনী প্ৰস্তাৱৰ এটা প্ৰতিলিপি সদনত পেচ্ কৰা হল। এই ক্ষেত্ৰত এইটো উল্লেখ কৰিব পাৰি যে অসম চুক্তিৰ ৫৯ দফামতে এই আইনখনৰ ক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থায়ে দিয়া সংশোধনৰ প্ৰস্তাৱ বিবেচনা কৰা হব বুলি ধৰা হৈছে। সেই চুক্তি মতে সদৌ অসম ছাত্ৰ সন্থায়ে দিয়া প্ৰস্তাৱৰ পৰ্য্যালোচনা কৰি ৰাজ্য চৰকাৰে এইখিনি প্ৰস্তাৱ কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়লৈ দিছে। এই বিষয়ে সোনকালে আৱশ্যকীয় ব্যৱস্থা লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰক সকিয়াই থকা হৈছে।

এইটো উল্লেখ কৰিব পাৰি যে গত ২৭।১০।৮৬ তাৰিখে নতুন দিল্লীত কেন্দ্ৰীয় গৃহ সচিৱে আমাৰ মুখ্য সচিৱ আৰু অন্যান্য জ্যেষ্ঠ বিষয়া সকলৰ লগত আলোচনা আৰু মত বিনিময় কৰে। এতিয়া কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয়ৰ দ্বাৰা জানিব পৰা গৈছে যে এই আইনখনৰ আৱশ্যকীয় সংশোধনী আনিবৰ বাবে কেন্দ্ৰীয় আইন মন্ত্ৰণালয়ে আইন প্ৰণয়নৰ দ্বাৰা যুগুতাই আছে আৰু ই কেইদিনমানৰ ভিতৰতে সম্পূৰ্ণ হোৱাৰ কথা।

মাননীয় অধ্যক্ষঃ ডাঃ কলিতাই উত্থাপন কৰা প্ৰস্তাৱটোৰ শেষৰ পৰা তিনি শাৰী আৰু অন্যান্য শব্দ দুটাৰ মাজত অবৈধ বিদেশী সকলৰ চিনাক্তকৰণ আৰু বহিস্কৰণৰ প্ৰক্ৰিয়া সৰলীকৰণ আৰু দ্ৰুততৰ কৰাৰ বাবে বাক্যাংশ সংযোজন কৰা হওক।

(ভোটৰ বাবে সদনত বিভাজন হয়)

মাননীয় অধ্যক্ষ ঃ মই মূল প্ৰস্তাৱটো পঢ়ি দিছো—"অসম বিধান সভাৰ এই অধিবেশনে অসমত প্ৰবেশ কৰা অবৈধ বিদেশী সকলৰ চিনাক্তকৰণ আৰু বহিস্কৰণৰ ব্যবস্থা অসম চুক্তি অনুসৰি খৰতকীয়া কৰিবলৈ ১৯৮৩ চনৰ অবৈধ অনুপ্ৰবেশকাৰী ( ন্যায়ধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ ) আইনখনত 'অবৈধ

প্ৰব্ৰজক" শব্দ দুটাৰ ঠাইত "অবৈধ বিদেশী" বুলি অন্তৰ্ভুক্ত কৰা প্ৰমাণৰ ভাৰ অবৈধ বিদেশীৰ ওপৰত আৰোপ কৰা অবৈধ বিদেশীৰ বিৰুদ্ধে অভি-যোগ দাখিল কৰোতে ২৫ টকাৰ মাচুল দিবলগীয়া ব্যৱস্থা নোহোৱা কৰি অভিযোগ দাখিল বিনামূলীয়া কৰা ৩ কিঃ মিঃ দূৰত্বৰ ভিতৰত থকা লোকেহে অবৈধ বিদেশীৰ বিৰুদ্ধে দৰ্খাস্ত দিব পাৰে বুলি থকা আইনৰ ধাৰাৰ পৰিবৰ্ত্তে অসমৰ যিকোনো লোকে আপত্তি দাখিল কৰিব পৰা ব্যৱস্থা কৰা, বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা সুস্পষ্ট কৰি দিয়া তিনিজনীয়া ন্যায়ধীকৰণৰ পৰিবৰ্ত্তে এজনীয়া কৰা উচ্চ ন্যায়ালয়ৰ পৰ্য্যালোচনাৰ ক্ষমতা নাইকীয়া কৰা আৰু অন্যান্য প্ৰয়োজনীয় সংশোধনী অন্তৰ্ভুক্ত কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লাগে বুলি প্ৰস্তাব গ্ৰহণ কৰে ।"

( ভোট গ্ৰহণ )

মই প্ৰস্তাবটো আকৌ পঢ়ি দিছো—' অসম বিধান সভাৰ এই অধিবেশনে অসমত প্ৰবেশ কৰা অবৈধ বিদেশী সকলৰ চিনাক্তকৰণ আৰু বহিস্কাৰৰ ব্যৱস্থা অসম চুক্তি অনুসৰি খৰতকীয়া কৰিবলৈ ১৯৮৩ চনৰ অবৈধ অনু-প্ৰবেশকাৰী (ন্যায়ধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইনখনত "অবৈধ প্ৰবজক" শব্দ দুটাৰ ঠাইত "অবৈধ বিদেশী" বুলি অন্তৰ্ভুক্ত কৰা প্ৰমাণৰ ভাৰ অবৈধ বিদেশীৰ ওপৰত আৰোপ কৰা, অবৈধ বিদেশীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰোতে ২৫ টকাৰ মাচুল দিবলগা ব্যৱস্থা নোহোৱা কৰি অভিযোগ দাখিল বিনামূলীয়া কৰা, ৩ কিঃ মিঃ দূৰত্বৰ ভিতৰত থকা লোকেহে অবৈধ বিদেশীৰ বিৰুদ্ধে দৰ্খাস্ত দিব পাৰে বুলি থকা আইনৰ ধাৰাৰ পৰিবৰ্ত্তে অসমৰ যি কোনো লোকে আপত্তি দাখিল কৰিব পৰা ব্যৱস্থা কৰা, বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা সুস্পষ্ট কৰি দিয়া তিনিজনীয়া ন্যায়ধীকৰণৰ পৰিবৰ্ত্তে এজনীয়া কৰা উচ্চ ন্যায়লয়ৰ পৰ্য্যালোচনা ক্ষমতা নাইকীয়া কৰা আৰু অন্যান্য প্ৰয়োজনীয় সংশোধনীৰ অন্তৰ্ভুক্ত কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লাগে বলি প্ৰস্তাৱ গ্ৰহণ কৰে।"

( ভোট গ্ৰহণ )

মাননীয় অধ্যক্ষ ঃ মই মূল প্ৰস্তাৱটো আকৌ পঢ়ি দিছো—"অসম বিধান সভাৰ এই অধিবেশনে অসমত প্ৰবেশ কৰা অবৈধ বিদেশী সকলৰ চিনাক্তকৰণ আৰু বহিস্কৰণৰ ব্যৱস্থা অসম চুক্তি অনুসৰি খৰতকীয়া কৰিবলৈ ১৯৮৩ চনৰ অবৈধ অনুপ্ৰবেশকাৰী ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰিত) আইন খনত "অবৈধ প্ৰব্ৰজক" শব্দ দুটাৰ ঠাইত "অবৈধ বিদেশী" বুলি অন্তৰ্ভুক্ত কৰা প্ৰমাণৰ ভাৰ অবৈধ বিদেশীৰ ওপৰত আৰোপ কৰা অবৈধ বিদেশীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰোতে ২৫ টকাৰ মাচুল দিব লগীয়া ব্যৱস্থা নোহোৱা কৰি অভিযোগ দাখিল বিনামূলীয়া কৰা. ৩ কিঃ মিঃ দূৰত্বৰ ভিতৰত থকা লোকেহে অবৈধ বিদেশীৰ বিৰুদ্ধে দৰ্খাস্ত দিব পাৰে বুলি থকা আইনৰ ধাৰাৰ পৰিবৰ্ত্তে অসমৰ যিকোনো লোকে দাখিল কৰিব পৰা ব্যৱস্থা কৰা, বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা সুস্পষ্ট কৰি দিয়া তিনিজনীয়া ন্যায়াধীকৰণৰ পৰিৱৰ্ত্তে এজনীয়া কৰা উচ্চ ন্যায়ালয়ৰ পৰ্য্যালোচনা ক্ষমতা নাইকীয়া কৰা আৰু অন্যান্য প্ৰয়োজনীয় সংশোধনী অন্তৰ্ভুক্ত কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লাগে বুলি প্ৰস্তাব গ্ৰহণ কৰে।"

(Division)

Mr. Speaker : Result – For—53
Against—31

Mr. Speaker : (The House divided)

Mr. Speaker : Now, I declares the result, 'Ayes' 56 and 'Noes' 31. The resolution is adoped as amended. Now I read the report of the Business Advisory Committee.

Under Rule 230 of the rules of Procedure and Conduct of Business in Assam Legislative Assembly. I called a meeting of the Business Advisory Committee at 12.30 P.M. yesterday, the 15th December, 1986 in my chamber

at Dispur to finalise the time table for Voting on Demands for supplementary grants for 1986-87 to be taken up on priority basis for voting and also to apportion time to different parties for participating in the discussion on the supplementary grants to be taken up on priority basis and the same were intimated to all Hon. members through notice inviting Cut Motions.

As regards the allocation of time to different parties including independents, the Committee decided to follow the previous practice and according to this practice following time has been allotted to different parties including Independents.

Total time available : 3 hours i.e: 210 minutes and time allotted to :—

| | | |
|---|---|---|
| 1. | A.G.P. including the reply of Ministers. | = 70 minutes. |
| 2. | Congress (I) | = 45 minutes. |
| 3. | U.M.F. | = 35 minutes. |
| 4. | Congress (S) | = 20 minutes. |
| 5. | P.T.C.A. | = 15 minutes. |
| 6. | Independents | = 15 minutes |
| 7. | C.P.M. | = 10 minutes. |

( The Assembly adjourned at 4.45 P.M. to be re-assembled at 10 A.M. on 17.12 86)

মাননীয় অধ্যক্ষ ঃ এতিয়া সদন কাইলৈ ৰাতিপুৱা ১০ বজালৈ স্থগিত ৰখা হ'ল ।

## Adjournment

## স্থগন

অহা কালিলৈ ১৭।১২।৮৬ ইং তাৰিখৰ ৰাতিপুৱা ১০ বজালৈ সদন স্থগিত ৰখা হ'ল ।

দিশপুৰ
১৬ ডিচেম্বৰ, ১৯৮৬ চন

শ্ৰীপুষ্পেন্দ্ৰ হাজৰিকা
সচিব
অসম বিধান সভা